নিজৰ অজ্ঞাতেই শত্রুপক্ষৰ অনুকূলে সেৱা কৰাৰ আশঙ্কা থাকে। ইতিহাসৰ আৰু এটা প্ৰধান শিক্ষা হ'ল শ্ৰেণী চেতনা নথকা বাবেই কিছুমান মহান লোকেই সৰ্বান্তঃকৰণে সাধাৰণ শ্ৰেণীৰ সেৱা কৰিবলৈ গৈ প্ৰকৃতাৰ্থত সেৱা কৰিছিল শোষক শ্ৰেণীৰহে। ভাৰতবৰেণ্য মহাত্মাগান্ধীও এনেদৰেই বলি হৈছিল ভাৰতীয় বুৰ্জোৱা শ্ৰেণীৰ হাতত। শ্ৰেণী বিভক্ত সমাজত ব্যক্তিৰ সততা গৌণ। গান্ধীৰ উদাহৰণ লৈয়েই ইয়াৰ ব্যাখ্যা আগবঢ়াব পাৰি। গান্ধী ব্যক্তিগত ভাবে সৎ আছিল সন্দেহ নাই। তেওঁৰ ত্যাগ স্বীকাৰ কৰিবই লাগিব। সেয়া সঁচা হ'লেও গান্ধীয়ে নিজৰ অজ্ঞাতেই বুৰ্জোৱা শ্ৰেণীৰ হাতিয়াৰ হৈ পৰিছিল। তথাপি গান্ধীজীক ভণ্ড বুলিব নোৱাৰি। এয়া স্বীকাৰ কৰাত আপত্তি থাকিবই নোৱাৰে যে তেওঁ প্ৰকৃতাৰ্থত প্ৰতিষ্ঠিত ব্যক্তি। যদিও তেওঁৰ ত্যাগখিনি অত্যাচাৰী শ্ৰেণীৰ অনুকূলে গ'ল তথাপি তেওঁক ভণ্ড বুলিবলৈ গ'লে গান্ধীজীৰ ভূমিকাৰ ব্যাখ্যা অতি জঘন্য আৰু ব্যাখ্যাতীত হ'ব। গান্ধীজীয়ে যদিও দৰিদ্ৰ জনসাধাৰণৰ হ'কেই সেৱা কৰিছিল তথাপি বুৰ্জোৱা গোষ্ঠীয়ে বুজিছিল যে তেওঁৰ ত্যাগে দৰাচলতে তেওঁলোকৰ অনুকূলেহে কাম কৰিব। সেয়েহে তেওঁলোকে সৰ্বান্তঃকৰণে গান্ধীজীৰ পৃষ্ঠপোষকতা কৰিছিল। এয়া তেওঁলোকৰ প্ৰৱঞ্চনাৰেই এক কৌশল। কিন্তু সৰ্বসাধাৰণে এই ভবিষ্যদ্বক্তা সকলক শ্ৰেণীস্বাৰ্থৰ উৰ্ধত বুলি মানি লয়। এনেদৰে কৌশল কৰি জনতাক বিভ্ৰান্ত কৰা হয়। এওঁলোকক এই শ্ৰেণীটোৱে হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰাৰ আচল উদ্দেশ্য হ'ল যে জনতাৰ মাজলৈ তেওঁলোক নিজে সোমাব নোৱাৰে বাবে এনে ব্যক্তিৰ দ্বাৰা কৰিবলগীয়াখিনি কৰাই লোৱাত সুবিধা, কাৰণ এওঁলোকৰ কৰ্মজীৱন আৰু চিন্তা আপাত দৃষ্টিত জনতাৰ স্বাৰ্থতেই বুলি ভৰা হয়। গান্ধীজীৰ দৃষ্টিত সকলো ধৰণৰ অত্যাচাৰ, ব্যভিচাৰ আৰু শোষণৰ কাৰণ হ'ল ঈৰ্ষা, লোভ আদি মানসিক কুপ্ৰবৃত্তি বিলাক। প্ৰকৃততে এই বিলাকৰ বাবে দায়ী সমাজব্যৱস্থা অসুস্থ সমাজব্যৱস্থাত এনেবিলাক হোৱাটোৱেই স্বাভাবিক। সেয়েহে এইবিলাকক পুঁজিবাদী ব্যৱস্থাৰ উপজাত দ্ৰব্য বুলিব পাৰি, আৰু ইয়াক দূৰ কৰিবৰ বাবে প্ৰথমে সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন সাধিব লাগিব। অৰ্থাৎ পুঁজিবাদী বিলাকৰ যন্ত্ৰটো অচল কৰিব লাগিব। এই যন্ত্ৰটো যেতিয়া শেষ হৈ যাব, উপজাত দ্ৰব্য সমূহো স্বাভাবিকতেই শেষ হৈ যাবলৈ বাধ্য। গান্ধীয়ে আত্মশুদ্ধিৰে এনে পৰিবৰ্ত্তন আনিব বিচাৰিছিল। ইয়াতকৈ অবাস্তৱ আৰু উপযোগিতাহীন দৰ্শন একো হ'ব নোৱাৰে। মানুহৰ চেতনাৰ মূল হ'ল বস্তুজগৎ। বস্তুজগতৰ পৰিবৰ্ত্তন নসধাকৈ চেতনাৰ পৰিবৰ্ত্তন সাধিব বিচৰাৰ দৰে মূৰ্খামি নাই। গান্ধীৰ দৰ্শন যে কাল্পনিক এনে উদাহৰণেই প্ৰমাণ কৰে। জনতাক চেতনাবিহীনকৈ ৰখাটোৱেই শোষক শ্ৰেণীৰ প্ৰধান কাম। সেয়ে হ'লে তেওঁলোকৰ শোষণ যন্ত্ৰ বাধাহীনভাৱে চলি থাকিব পাৰে। সেই উদ্দেশ্যেই তেওঁলোকে চিন্তাৰ বিভ্ৰান্তি ঘটাবলৈ চেষ্টা কৰে। ফেচিবাদী সকলৰ কথাকেই চোৱা যাওক। সময়ে সময়ে এনে কিছুমান তথাকথিত সমাজবাদৰ ধ্বনি তোলা হয় যিবিলাক প্ৰকৃততে ফেচিবাদৰেই ধ্বনি। এনেদৰে জনতাক বিভ্ৰান্ত কৰাৰ নমুনা অলেখ পোৱা যায়। হিটলাৰৰ নেতৃত্বত নাৎসী বিলাকে এনেদৰেই ফেচিবাদ বিৰোধী শ্ল'গান দি জনতাক বিভ্ৰান্ত কৰাৰ চেষ্টা কৰিছিল। এনে দ্বৈত নীতি অতি মাৰাত্মক। সেয়েহে বুদ্ধিজীৱি সকলে জনতাক সঁচা বাট দেখুৱাই পৰিচালনা কৰাটো অতি প্ৰয়োজনীয়।

পৰস্পৰ বিপৰীত দুই দাৰ্শনিক শিবিৰে জীৱনৰ বিভিন্ন বিষয়বোৰ কিভাবে বিচাৰ কৰে সেই সম্পৰ্কীয় এক তুলনামূলক আলোচনা কৰিলে উভয় দৰ্শনৰ মৌলিক নীতি সম্পৰ্কে এক সম্যক ধাৰণা পোৱা যাব। ভাববাদী দৰ্শনৰ উৎস বিচাৰি গলে দেখা যায়, ই ৰহস্যপূৰ্ণ জগতক বাখ্যা কৰাৰ মানসেৰেই আগবাঢ়ি-

ছিল। কিন্তু বাস্তবক চেৰাই যোৱাৰ বাবে ইয়াৰ মাজত বাস্তৱতাৰ অভাব স্পষ্টভাবে পৰিলক্ষিত হয়। দ্বন্দ্বমূলক বস্তুবাদে যুক্তিত খোপনি লৈ ৰহস্যৰ পম খেদি যাওঁতে সঞ্চিত কৰা অভিজ্ঞতাৰ ভেটিত ৰহস্যৰ আঁৰকাপোৰ আঁতৰাই দিয়ে। ভাববাদিসকলে জগৎ সম্পৰ্কে কৰা ধাৰণাৰ ভেটি বুলিবলৈকো একো নাই। তেওঁলোকে জগতখন পৰমসত্বাৰ বহিঃপ্ৰকাশ বুলিয়েই ব্যাখ্যা কৰে। বস্তুবাদী দৰ্শনে জগত সম্পুৰ্কে ব্যাখ্যা আগবঢ়ায় এনেদৰে —ই বিভিন্ন জড়পদাৰ্থৰ দ্বাৰা গঠিত। এই জাগতিক জড়পদাৰ্থসমূহৰ মাজত স্ববিৰোধ বা দ্বন্দ্ব চলি থাকে। এনে পাৰস্পৰিক দ্বন্দ্বৰ মাজেদিয়েই ইয়াৰ বিকাশ হয়। জাগতিক পৰিবৰ্ত্তন সম্পুৰ্কে ভাববাদীসকলে ঘোষণা কৰে যে পৰমসত্বাৰ ইচ্ছানুসৰি পৰিবৰ্ত্তন সাধিত হয়। দ্বন্দ্বমূলক বস্তুবাদে এই বিশ্বৰ প্ৰতিটো বস্তুকে নিৰবচ্ছিন্ন ভাবে গতিশীল বুলি কয়। এই জাগতিক বস্তুসমূহৰ পৰিবৰ্দ্ধন আৰু পৰিবৰ্ত্তন হৈ থাকোতে থাকোতে দ্বান্দ্বিক পদ্ধতিৰে এইবিলাকৰ বিকাশ সাধিত হয়। এনেদৰে ক্ৰমাগত ভাবে উত্তৰণৰ মাজেদিয়েই পৰিমাণগত পৰিবৰ্ত্তনৰ মাজেদি গুণগত পৰিবৰ্ত্তন সম্ভৱ। ভাববাদী দাৰ্শনিক সকলে পৰমসত্তা আৰু মনকহে সত্য বুলি ভাবে আৰু ইয়েই মুখ্য। জড় পদাৰ্থৰ বাস্তৱ অস্তিত্ব নাই বুলিয়েই তেওঁলোকে ঘোষণা কৰে। বস্তুবাদী দাৰ্শনিক সকলে জড়পদাৰ্থৰ বাস্তৱ সত্যতা স্বীকাৰ কৰে। ই মন বা চেতনা নিৰপেক্ষ নহয়। অৰ্থাৎ জড় পদাৰ্থৰ আৱৰ্ত্তমান চেতনা বা ধাৰণাৰ উদ্ৰেক হোৱা সম্ভৱ নহয়। মানসিক বিষয়সমূহ প্ৰকৃততে জড়পদাৰ্থৰ অৱস্থিতিৰ দ্বাৰাহে নিয়ন্ত্ৰিত হয় আৰু মানসিক বিকাশৰ বাবে উন্নত ধৰণৰ মস্তিষ্কত ইয়াৰ জন্ম হয়। সেয়েহে মনৰ ধ্যান ধাৰণা বিলাকৰ উৎস বাস্তৱ জগতখনেই। ভাববাদীসকলে দাবী কৰে যে বস্তুজগৎ পৰিচালিত হয় আধ্যাত্মিক জগতৰ দ্বাৰা। বস্তুবাদী সকলৰ দৰ্শনে এই যুক্তিৰ অসাৰতা প্ৰমাণ কৰি কয় যে জগতখন পদাৰ্থৰ গতি বিধানৰ ওপৰতহে নিৰ্ভৰশীল। জীৱনৰ লক্ষ্য ভাববাদীসকলৰ বাবে পৰমব্ৰহ্মত বিলীন হোৱা প্ৰকৃত-পক্ষে এই দুই শিবিৰৰ মাজতেই দ্বন্দ্ব সীমিত নহয়। এনে দ্বন্দ্বৰ মাজেদি এটাই বিকাশ লাভ কৰে আৰু আনটোৰ বিনাশ হয়।

বিজ্ঞানধৰ্মী সমাজ প্ৰতিস্থাৰ পথত ওপৰত আলোচিত হোৱা দুই দৰ্শন শিবিৰৰ মাজত যি অৰিয়াঅৰি; ই সমাজৰ বৌদ্ধিক জীৱনবো যি বিভ্ৰাটৰ সৃষ্টি কৰিছে, এই বিভ্ৰাট আতৰাবলৈ হলে সমাজচিন্তাবিদসকলে দ্বান্দ্বিক চিন্তাপদ্ধতিৰ মাজেৰেই চিন্তা কৰিব লাগিব—তেতিয়াহে এই প্ৰচেষ্টা প্ৰকৃতাৰ্থত প্ৰগতিধৰ্মী হ'ব।

●●●

"যি সকল লোকে স্বাধীনতাক ভাল পাওঁ বুলি কয় অথচ আন্দোলন বা বিক্ষোভৰ বিৰোধিতা কৰে, তেওঁলোক হ'ল বিজুলী ধেৰেকনি নোহোৱাকৈয়ে বৰষুণ বিচৰা মানুহ। তেওঁলোকে সাগৰ বিচাৰে কিন্তু সাগৰৰ জলৰাশিৰ গৰ্জন নিবিচাৰে।"

—ফ্ৰেড্ৰিক ডগ্লাচ

# সুকান্ত ভট্টাচাৰ্য্যৰ কবিতা

• কাবেৰী গুপ্তা
২য় বাৰ্ষিক প্ৰাঃবিঃ(বিঃ)

ভাল কবি কোন ? বহুতে কয় যিজন কবিয়ে নিজা ভাব অনুভূতিক বাছকবনীয়া শব্দৰ মাধ্যমত সুন্দৰকৈ ফুটাই তোলে তেৱেঁই ভাল কবি। কিন্তু মই কম যিজন কবিয়ে মানুহৰ সুখদুখক নিজৰ কবিতাত ফুটাবলৈ যত্নবান হয়—যিজন কবিয়ে নিপীড়িত জনগণৰ দুখ বেদনা ব্যঞ্জিত কবিবলৈ সমৰ্থ হয় তেৱেঁই সফল কবি। সেয়ে "মোৰ প্ৰিয় কবি কোন ?" যদি কোনোবাই মোক সোধে—দ্বিধাহীন ভাবে কম "কবি সুকান্ত ভট্টাচাৰ্য্য" সুকান্ত-সাহিত্যৰ এজন অনুৰাগী পাঠিকা মই। সুকান্তৰ অগ্নিময় বাণী, তেওঁৰ বন্ধন অসহিষ্ণু চিত্তৰ অগ্নিময় বাণীয়ে মোক অভিভূত কৰে। সুকান্তৰ কবিতাই মোৰ প্ৰাণত আচৰিত উন্মাদনা জগাই তেজত তৰঙ্গ তোলে। এই কবিতা পঢ়িবলৈ বহি মই যেন এক অইন মানুহ হৈ উঠো।

সুকান্তৰ কবিতাৰ ৰাজ্যত আজি মোৰ নিৰ্বাধ অহা যোৱা। কবিয়ে দুখী জনৰ দুখ জনাইছে জনগণৰ ওচৰত তেওঁৰ কবিতাৰ মাধ্যমেৰে। "ৰানাৰ" কবিতাত কবিয়ে যেতিয়া কয়—

……এখনি করেই জীবনের বহু বছরকে পিছফেলে
পৃথিবীর বোঝা ক্ষুধিত রানার পৌছেদিয়েছে 'মেলে
ক্লান্তশ্বাস ছুয়েছে আকাশ মাটি ভিজে গেছে ঘামে
জীবনের সব রাত্রিকে ওরা কিনেছে অল্প দামে
অনেক দুঃখে বহু বেদনা অভিমানে অনুরাগে
ঘরে তার প্রিয়া একা শয্যায় বিনিদ্র রাত জাগে"…

(রানার)

ৰানাৰ নিপীড়িত; শোষিত জীৱনৰ ছবি আমাৰ সন্মুখত প্ৰাঞ্জলভাবে প্ৰকাশিত হৈ পৰে।

শোষণ, শাসন, অত্যাচাৰ, উৎপীড়ন ক্ৰমাগত চলি থাকে শোষিতৰ ওপৰত। অতীষ্ঠ শোষিতৰ মনত গোপনে গোট মাৰি উঠে বিদ্ৰোহী ভাব। কবিয়ে তাৰেই চিত্ৰাঙ্কণ কৰিছে তেওঁৰ কবিতা "চাৰাগাছ"ত

……"ছোট ছোট চারাগাছ……
নিঃশব্দে হাওয়ায় দোলে, কান পেতে শোনেঃ
প্রত্যেক ইটের নীচে চাপা বহু গোপন কাহিনী
রক্তের, ঘামের আর চোখের জলের……
……গোপনে বিদ্রোহ জমে, জমে দেহে শক্তির বারুদ

প্ৰাসাদ বিদীৰ্ণ করা বন্যা আসে শিকড়ে শিকড়ে।
মনে হয়, এইসব অশ্বথ শিশুর
রক্তের, ঘামের আর চোখের জলের
ধারায় ধারায় জন্ম,
ওরা তাই বিদ্রোহের দূত"............ (চাৰাগাছ)

কৱিতাৰ মাধ্যমত কৱি সুকান্তই দেশবাসীক সাম্যবাদৰ মন্ত্ৰত দীক্ষিত কৰে। শোষিতক শোষণৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ প্ৰেৰণা দিয়ে—

.........'হাঁকো সে মন্ত্ৰ:
শোন রে মালিক, শোনরে মজুতদার
তোদের প্রাসাদে জমা হত কত মৃত মানুষের হাড়
হিসাব কি দিবি তার?
প্রিয়াকে আমার কেড়েছিস্ তোরা
ভেঙ্গেছিস্ ঘর বাড়ি,
সে কথা কি আমি জনমে মরণে
কখনো ভুলতে পাড়ি
আদিম হিংস্র মানবিকতার যদি আমি কেউ হই'
স্বজন হারানো শ্মশানে তোদের চিতা আমি তুলবই
(বোধন)

আবেগৰ প্ৰচণ্ডতা ইয়াত চৰম হৈ উঠিছে, কৱিৰ প্ৰাণৰ সুৰ উদ্দাম গতিৰে প্ৰবাহিত হৈছে। এই কৱিতাৰ বান্ধভঙ্গা ভাববন্যাৰ সন্মুখত পৰি আমি উচপ খাওঁ—অনুভৱ কৰো যে শোষণৰ অবসানৰ আৰু অধিক বিলম্ব নাই—ইয়াৰ অবসান হ'ব শত সহস্ৰ—প্ৰতিহিংসাৰ জুইত বলিয়া বিপ্লবী জনগণৰ ক্ৰোধবহ্নিত।

এজন মুক্তিকামীক কৱিয়ে তুলনা কৰে এটা দিয়াশলাই কাঠিৰ লগত। দিয়াশলাই কাঠিৰ দৰেই তেওঁলোকৰ—

........."মুখে উসখুস করছে বারুদ
বুকে জ্বলে ওঠার দুরন্ত উচ্ছ্বাস"
(দেশলাইকাঠি)

এবাকচ্ দিয়াশলাই একেলগে জ্বলি উঠাৰ দৰেই তেওঁলোকও জ্বলি উঠিব একেলগে—

........."আমরা বেরিয়ে পড়ব, আমরা ছড়িয়ে পড়ব
শহরে, গঞ্জে, গ্রামে দিগন্ত থেকে দিগন্তে।
আমরা বার বার জ্বলি, নিতান্ত অবহেলায়
তাতো তোমরা জানই।
কিন্তু তোমরা ত জান না
কবে আমরা জ্বলে উঠব—
সবাই শেষ বারের মত।"
(দেশলাই কাঠি)

কৱিয়ে প্ৰতীক্ষা কৰে সেই দিনৰ কাৰণে, যিদিনা "জ্বলি উঠিব সকলোৱেই শেষবাৰৰ বাবে"—

........."আস হোক,
বিস্ফোরণের চরম পবিত্র তিথি........
(আগ্নেয়গিরি)

তাৰপিছত কৱিয়ে কল্পনা কৰে এই বিস্ফোৰণৰ পিছৰ চিত্ৰ, শোষণমুক্ত ধৰণীৰ চিত্ৰ তেওঁৰ চকুৰ আগত ভাঁহি উঠে। সকলোৱেই তাত মানুহৰ দৰে জীয়াই থাকিব পাৰিব। আৰু আজিৰ শোষক শ্ৰেণীৰ অৱস্থা তেতিয়া কেনে হৈছে? কৱিয়ে তাৰেই চিত্ৰাঙ্কণ কৰিছে তেওঁৰ কৱিতা "চিল" অত।

........."যার শ্যেন দৃষ্টিতে কেবল ছিল
তীব্র লোভ আর ছোঁ মারার দস্যু প্রবৃত্তি—
তাকে দেখলাম, ফুটপাতে মুখ গুজে পড়ে............
........অনেকে আজ নিরাপদ;
নিরাপদ ইঁদুরছানারা আর খাদ্য-হাতে এস্তপথচারী
নিরাপদ কারণ আজ সে মৃত।
আজ আর কেউ নেই ছোঁ মারার,
ওরই ফেলে দেওয়া উচ্ছিষ্টের মতো
ও পরে রইল ফুট পাথে
শুকনো, শীতল, বিকৃত দেহে"।
(চিল)

সুকান্ত নিৰ্যাতিত মানবৰ কবি, সৰ্ব্বহাৰা মানুহৰ দুখৰ কাব্যকাৰ তেওঁ। প্ৰতাপৰ স্পৰ্ধা, ধনতান্ত্ৰিক সভ্যতাৰ বৰ্বৰতা, শাসনৰ নামত নিলজ্জ শোষণ—এই

সকলোকেই কৱিয়ে প্ৰত্যক্ষ কৰিছে, অত্যাচাৰিত মানৱ গোষ্ঠীৰ আৰ্তনাদ তেওঁ শুনিছিল। মনুষ্যত্বৰ লাঞ্ছনাই তেওঁৰ প্ৰাণপুৰুষক বিদ্ৰোহী কৰি তুলিছিল। শ্ৰেণী বৈষম্য, ধনী দৰিদ্ৰৰ প্ৰভেদে, মানৱ প্ৰেমী কৱিক একেবাৰে ক্ষিপ্ত কৰি তুলিছিল।

অত্যাচাৰী শাসকৰ দুঃশাসনৰ অৱসান হওঁক, জনতাৰ দুখৰ দিন শেষ হৈ যাওঁক, তেওঁলোকৰ সন্মুখত উষাৰ স্বৰ্ণদ্বাৰ উন্মুক্ত হওঁক তাকেই কৱিয়ে বিচাৰিছিল। তেওঁ কৈছিল—

........"যতক্ষন দেহে আছে প্ৰাণ
প্ৰাণপনে পৃথিবীর সবারো জঞ্জাল"........

(ছাড় পত্ৰ)

আচৰিত এই তৰুণ কৱিৰ প্ৰতিভা আৰু আচৰিত তেওঁৰ মন। তেওঁৰ কৱিতা পঢ়ি আমি আচৰিত হওঁ। কাৰণ কেতিয়াবা দেখোঁ—
........"কবি বিষন্ন, কখনো আশায় উন্মুখ। কখন' আঘাতে কাতর আর কখন' সাহসে দুৰ্জ্জয়। কখন' চায় জনতা, কখনো চায় নিৰ্জনতা।—কোথাও ভালবাসার কথা মুখ ফুটে বলতেই পাৰে না আবার কখনো হুঙ্কার দিয়ে উঠে ঘৃণায়"......(সুভাষ মুখোপাধ্যায় "ভূমিকা" সুকান্ত সমগ্ৰ)

বাংলা সাহিত্যৰ এই অতি প্ৰতিভাবান কবি মাত্ৰ ২১ বছৰ বয়সত যক্ষ্মাৰোগাক্ৰান্ত হৈ ঢ্ৢকায়। সুকান্তৰ কবিতাবোৰে বাংলা সাহিত্যক সমৃদ্ধতৰ কৰিছে। মৃত্যুৰ আগতে কবিয়ে তেওঁৰ এগৰাকী নবৌয়েকলৈ লিখিছিল—...."আমি নিৰ্জ্জনতা প্ৰিয় একথা সম্পূৰ্ণ মিথ্যা। সাময়িক ভাবে নিৰ্জ্জনতা ভাল লাগলে যে চিরকালই ভাল লাগবে, এমন কথা আমি বলিনা। ......আর আমি কবি বলে নিৰ্জ্জনতা প্ৰিয় হ'ব, আমি কি সেই ধরণেৰ কবি? আমি যে জনতার কবি হতে চাই, জনতাকে বাদ দিলে আমার চলবে কি করে?

(পত্ৰাবলি—সু, স)

সুকান্ত নৱযুগৰ কবি। বিপ্লবৰ কবি সুকান্ত। শোষণ নিষ্পেষনৰ প্ৰতিবাদত তেওঁৰ কবিতাৰ প্ৰকাশ। দুখীয়াৰ কবি সুকান্ত ভট্টাচাৰ্য্য। নিষ্পেষিত দৰিদ্ৰ জনসাধাৰণক মুক্তিৰ পথলৈ অনাটোৱেই সুকান্তৰ প্ৰয়াস—একমাত্ৰ আশা। সেয়ে জনগণৰ বাবে সুকান্তৰ কৱিতা।

যি সময় এতিয়াও অহা নাই, সেই অনাগত ভবিষ্যতলৈ মোৰ ৰচনাৰ মূল্য থাকিবনে নেথাকে, সি মোৰ চিন্তাৰ অতীত—মোৰ বৰ্ত্তমানৰ সত্যোপলব্ধি যদি ভবিষ্যতৰ সত্যোপলব্ধিৰ সৈতে এক হৈ মিলি যাব নোৱাৰে, তেনেহলে সি বাট এৰি দিবই লাগিব। তাৰ আয়ুকাল যদি শেষ হৈও যায়, তেন্তে সি শেষ হ'ব এই বাবেই যে, আৰু ডাঙৰ, আৰু সুন্দৰ, আৰু পৰিপূৰ্ণ সাহিত্যৰ নিৰ্মানত তাৰ কংকালৰ প্ৰয়োজন হৈছে। কোনো ক্ষোভ নকৰাকৈ মই বৰং এইবুলি প্ৰাৰ্থনা জনাম যে মোৰ ভাষাত, মোৰ সাহিত্যত এনে উচ্চ সাহিত্যৰ জন্ম হওক, যাৰ তুলনাত যাৰ ৰচনা যেন অকিঞ্চিৎকৰ হৈয়েই থাকি যায়।

(স্বদেশ আৰু সাহিত্য)
শৰৎ চ্যাটাৰ্জী

# মাৰ্ক্সৰ সাহিত্য প্ৰীতি

প্ৰদীপ কুমাৰ দাস
২য় বাৰ্ষিক প্ৰাঃ বিঃ (বিঃ)

মহা মানৱ কাৰ্ল মাৰ্ক্সৰ জন্ম হৈছিল ১৮১৮ চনৰ ৫ মে তাৰিখে এটি উকীল পৰিয়ালত। সমাজবাদৰ ভেটি প্ৰতিষ্ঠাতা হিচাপে এক নবদৰ্শনৰ প্ৰবৰ্ত্তক হিচাপে, এজন আগশাৰীৰ অৰ্থনীতিবিদ হিচাপে, মাৰ্ক্সৰ নাম নুশুনা শিক্ষিত মানুহ বোধকৰো বৰ বিৰল। মানবীয় জ্ঞানৰ ইমানবোৰ. গুণেৰে বিভুষিত এই মহামানৱজনাৰ কথা বোৰ গমি চালে বিস্ময়াভিভূত নহৈ নোৱাৰি। মগজুৰ প্ৰখৰতাই মাৰ্ক্সৰ একমাত্ৰ পৰিচয় হ'ব নোৱাৰে। তেওঁ আছিল এজন কলা সাহিত্যৰ সোৱাদ লব পৰা ব্যক্তিত্ত্ব। কলা সাহিত্যৰ প্ৰতি তেওঁৰ মনটো আছিল অতি সংবেদনশীল। বাল্যকালত কবি হোৱাৰ হেঁপাহ হৈছিল যদিও পৰিস্থিতিৰ ফেৰত শেষলৈ তেওঁ এজন পণ্ডিতহে হ'লগৈ। বাৰ্লিন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থাকোতে তেওঁ এবাৰ দেউতাকলৈ চিঠিত লিখিছিল এই বুলি "কবিতাই হ'ব মোৰ জীৱনৰ প্ৰথম চিন্তা"। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে মাৰ্ক্সৰ প্ৰথম প্ৰকাশিত ৰচনাও আছিল দুটি মাত্ৰ কবিতা। অৱশ্যে তাৰ পিছত ল'ৰালি কালতেই কবি হোৱাৰ মানসেৰে তেওঁ অজস্ৰ কবিতা ৰচি পেলাইছিল। আন বহুতৰে দৰে মাৰ্ক্সও বিশ্ববিদ্যালয়ত পঢ়ি থকাৰ সময়তে জেনীভন নামৰ ছোৱালী এজনীৰ প্ৰেম পাশত আৱদ্ধ হৈছিল। শেষলৈ এই ছোৱালীজনীক বিয়া কৰাইছিল। বিশ্ববিদ্যালয়ত পঢ়ি থকা কালতে এবাৰ মাৰ্ক্সে তেওঁৰ দয়িতা জেনীভনলৈ কবিতা উপহাৰ স্বৰূপে পঠাইছিল। সাহিত্য সমালোচক সকলৰ মতে মাৰ্ক্সৰ কবিতাবোৰ উচ্চপৰ্য্যায়ৰ নাছিল। এজনা মাৰ্ক্সীয় পণ্ডিতে কোৱাৰ দৰে তেওঁৰ কবিতাবোৰ ৰচনাৰ মূলতে আছিল ব্যৰ্থ প্ৰেম, আৰু ৰহস্যময় শক্তিসমূহৰ ক্ৰীড়নক হিচাপে মানবীয় ভাগ্যৰে ভৰপূৰ। লহপহকৈ ঠন ধৰি উঠা মাৰ্ক্সৰ কবি হোৱাৰ মনটো যেন হঠাতে মৰহি গ'ল। কাব্যিক ক্ষমতা দুৰ্ব্বল বুলি বিবেচনা কৰি মাৰ্ক্সে কবিতা লিখা চিৰদিনৰ বাবে এৰি দিয়ে আৰু সেই সময়তে আগতে ৰচি থোৱা কিছুমান কবিতা পুৰিও পেলায়। তাৰ পিচত তেওঁ মন মেলিলে এজন গল্প লিখক হোৱাৰ আৰু এই উদ্দেশ্যে তেওঁ কিছুমান গল্পৰ "প্লট"ও গোটাই লৈছিল। কিন্তু সিও হৈ নুঠিল। পৰবৰ্ত্তী জীৱনত সাহিত্য তেওঁ ভাল পাবলৈ এৰি দিয়া নাছিল। চেক্সপীয়েৰ, ডান্টে, নভালি ( এজন ফৰাচী লিখক ) প্ৰভৃতি তেওঁৰ প্ৰিয় লিখক আছিল। এই

প্ৰিয় লিখক সকলৰ ৰচনা তেওঁ নিয়মিত ভাবে পাঠ কৰিছিল। সেই সময়ত তেওঁৰ সমসাময়িক জাৰ্ম্মান কবি হাইনেৰ সৈতে তেওঁৰ প্ৰগাঢ় বন্ধুত্ব আছিল। আনকি হাইনেৰ বহুতো কবিতা তেওঁ হাত ফুৰাই দিয়াৰ উদাহৰণো পোৱা যায়। মাৰ্ক্সৰ সাহিত্যানুৰাগৰ বিষয়ে জানিবলৈ হ'লে তেওঁৰ সমসাময়িক ব্যক্তি সকলৰ জীৱনী আৰু স্মৃতিকথাবিলাক অধ্যয়ন কৰিলেই জানিব পৰা যায়। হাইনে তেওঁৰ ইমান বেছি প্ৰিয় আছিল যে মাৰ্ক্সে কথা বতৰাতো বহু সময়ত হাইনেৰ লিখনীৰ উৰ্দ্ধৃতি দিছিল। অৱশ্যে সেই সময়ৰে জাৰ্ম্মান কবি গেটেও তেওঁৰ বাবে সমানেই প্ৰিয় আছিল। মাৰ্ক্সৰ মতে বিভিন্ন ভাষা আহৰণ কৰা মানে জীৱন যুদ্ধৰ এপাত এপাত অস্ত্ৰ বঢ়োৱা। এই উদ্দেশ্যলৈ মাৰ্ক্সে ইউৰোপীয় প্ৰায় গোটেইবোৰ ভাষা ভালকৈ শিকি পেলাইছিল আৰু ইউৰোপৰ প্ৰতিটো ভাষাৰ কবিসকলৰ তেওঁ এজন নিয়মিত পাঠক আছিল। চেক্সপীয়েৰৰ লিখনী আৰু ব্যক্তিত্বৰ প্ৰতিও তেওঁৰ সীমাহীন শ্ৰদ্ধা আছিল। চেক্সপীয়েৰৰ সমস্ত কাৰ্য্যৱলী তেওঁ বিস্তৃত ভাবে অধ্যয়ন কৰিছিল। মাৰ্ক্স পৰিয়ালত চেক্সপীয়েৰ অতি আপোন যেন আছিল। পৰিয়ালৰ প্ৰত্যেকৰে এই মহান ইংৰাজ নাট্যকাৰ জনাৰ প্ৰতি গভীৰ অনুৰাগো আছিল। মাৰ্ক্সৰ তিনিজনী জীয়েক আছিল। এই জীয়েক তিনিজনীক চেক্সপীয়েৰৰ লিখনীয়ে ইমান গভীৰ সঁচ বহুৱাইছিল যে চেক্সপীয়েৰৰ লিখনীৰ বহু অংশ তেওঁলোকে মুখস্থ গাব পাৰিছিল। ডাণ্টে আৰু ৰবাৰ্ট ৱানচোক তেওঁৰ প্ৰিয় কবিবোৰৰ ভিতৰতে ধৰিব পাৰি। তেওঁ কেতিয়াবা কেতিয়াবা তেওঁৰ প্ৰিয় লিখকসকলৰ ৰচনা জীয়েক কেইজনীয়ে আনন্দৰে আবৃত্তি কৰা শুনি অতিশয় আনন্দ পাইছিল।

তেওঁ এজন উপন্যাস প্ৰেমিক আছিল। এই ক্ষেত্ৰত তেওঁক ডাৰউইনৰ লগত বিজাব পাৰি। তেওঁ বিশেষকৈ ওঠৰ শতিকাৰ উপন্যাস বোৰ পঢ়ি বৰ আমোদ পাইছিল। অৱশ্যে উপন্যাসিকসকলৰ ভিতৰত চাৰ্ভেন্টিছ আৰু বালজাকক তেওঁ সবাতোকৈ ওপৰত স্থান দিছিল।

ভাষাৰ ওপৰত তেওঁৰ প্ৰচুৰ দখল আছিল। শেষলৈ জীয়েক তিনিওজনীয়ে এইটো উত্তৰাধিকাৰ সূত্ৰে পাইছিল। তেওঁ ফৰাচী, জাৰ্মান আৰু ইংৰাজী ভাষাত ভাষাবিদৰ শ্ৰদ্ধা আহৰণ কৰিব পৰাকৈ লিখিবও পাৰিছিল। তাৰ পিছত প্ৰায় আদবয়সত তেওঁ আগতেজনা কোনোটো ভাষাৰ লগতে ওচৰ সম্পৰ্ক নথকা সত্বেও খুব কম দিনৰ ভিতৰতে ৰাচিয়ান ভাষা সুন্দৰকৈ আয়ত্ব কৰিব পাৰিছিল; আৰু তাৰ পিছত ৰাচিয়ান লিখকসকলৰ লিখনী পাঠ কৰি তেওঁ বৰ আমোদ পাইছিল। মিছো আৰু ৰবাৰ্ট এই জাৰ্ম্মান কবি দুগৰাকী তেওঁৰ অতি প্ৰিয় আছিল। ছামিছোৰ "ভিকহু আৰু তেওঁৰ কুকুৰ" নামৰ হৃদয়স্পৰ্শী কবিতাটো তেওঁ সুন্দৰকৈ আবৃত্তি কৰিছিল। ৰাচিয়ান ভাষাৰ ওপৰতো তেওঁৰ প্ৰচুৰ দখল আছিল আৰু সেইবোৰ অনুবাদ কৰিবও পাৰিছিল। কাৰ্লমাৰ্ক্সে ৰাচিয়ান ভাষা শিকা প্ৰসঙ্গত উল্লেখনীয় যে এবাৰ তেওঁ নৰিয়াত পৰি আছিল আৰু সেই সময়তে কাৰো সহায় নোলোৱাকৈ ৰাচিয়ান ভাষা সুন্দৰকৈ আয়ত্ব কৰি পেলাইছিল। মাৰ্ক্সে লিখা বিৰাট "দাচ কেপিটেল" গ্ৰন্থখন ফৰাচীভাষালৈ কৰা অনুবাদত তেওঁ চকু ফুৰাই দিছিল। মুঠতে মাৰ্ক্সৰ ভাষাৰ ওপৰত থকা দখলৰ বিষয়ে লিখি শেষ কৰা সহজ সাধ্য নহয়। মাৰ্ক্সে তেওঁৰ লিখনীত অপ্ৰয়োজনীয় বিদেশী ভাষাৰ প্ৰয়োগ ভাল নেপাইছিল, আৰু কোনোবাই তেনে কৰাটোও তেওঁ নিবিচাৰিছিল। জাৰ্ম্মানত জন্ম গ্ৰহণ কৰা মহামানৱ মাৰ্ক্সে জীৱনৰ দুই তৃতীয়াংশ বিদেশত কটোৱা স্বত্বেও নিভাজ জাৰ্ম্মান শব্দ গাঠনি আৰু সেইবিলাকৰ ব্যৱহাৰৰ প্ৰতি বৰ সজাগ আছিল।

□ □ □

# অসমৰ কৃষি ব্যৱস্থা

ড. গঙ্গেশ চন্দ্ৰ কৰ।

প্ৰকৃতিয়ে সজাই ৰখা বৰষুণ আৰু উৰ্বৰ মাটিৰে চহকী অসম, কৃষি কাৰ্যৰ কাৰণে অতিশয় উপযোগী। বিভিন্ন কৃষিজাত দ্ৰব্য উৎপন্ন কৰি এই ৰাজ্যই ভাৰতৰ মাজত এটা বিশিষ্ট স্থান অধিকাৰ কৰিছে যদিও সমগ্ৰ ভৌগোলিক আয়তনৰ ভিতৰত কৃষিকাৰ্য মাত্ৰ ৩৫ শতাংশৰ ভিতৰত সীমাবদ্ধ। ১৯৫১-৫২ চনৰ পৰা ১৯৬৯-৭০ চনলৈ কৃষি উৎপাদনত ব্যৱহৃত মাটিৰ পৰিমাণ বছৰত শতকৰা এভাগবো কম হাৰত বৃদ্ধি পায়।[১] আনহাতে প্ৰকৃত উৎপাদন কৰা জনমূৰি মাটিৰ পৰিমাণ দ্ৰুতভাবে হ্ৰাস পায় ১৯৫১-৫২ চনৰ ০·২৩ হেক্টৰৰ পৰা ১৯৬৯-৭০ চনৰ ০·১৬ হেক্টৰলৈ।[২] এই খিনিতে উল্লেখযোগ্য যে, অসমৰ ক্ষেত্ৰত জনমূৰি খেতি মাটিৰ পৰিমাণ আৰু ইয়াৰ হ্ৰাস সমগ্ৰ ভাৰতৰ জনমূৰি হাৰৰ তুলনাত বিশেষভাবে নিম্নগামী আৰু অত্যাধিক দ্ৰুত।[৩]

স্বাধীনতাৰ পিচৰ পৰা অসম ৰাজ্যত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ (১৯৫১-৬১ দশকত ৩৪·৯৮ শতাংশ আৰু ১৯৬১-৭১ দশকত ৩৪·৯৫ শতাংশ) ভাৰতৰ গড় বৃদ্ধিৰ হাৰতকৈ (১৯৫১-৬১ দশকত ২১.৬৪ শতাংশ আৰু ১৯৬১-৭১ দশকত ২৪·৮০ শতাংশ) উল্লেখযোগ্য ভাবে বেছি।[৪] যোৱা দুই দশকত (১৯৫১-৭১) অসমৰ জনসংখ্যা যেতিয়া বছৰত ৪ শতাংশ হাৰত বৃদ্ধি পাইছিল, খেতি মাটিৰ পৰিমাণ বৃদ্ধি পাইছিল ১ শতাংশৰো কম হাৰত। গ্ৰাম্য অঞ্চলে অসমৰ শতকৰা ৯০ ভাগবো অধিক জনসংখ্যা ধাৰণ কৰি থকাত জন-সংখ্যাৰ দ্ৰুত বৃদ্ধিৰ হেঁচাই এটা অত্যাধিক জনবহুল কৃষি উৎপাদন অৱস্থাৰ সৃষ্টি কৰিছে। তদুপৰি ভূমি বিতৰণ ব্যৱস্থা বিশেষ ভাবে অসাম্য হোৱাৰ ফলত গাওঁৰ পৰিয়াল বিলাকৰ শতকৰা ৭১·৫১ ভাগেই (২৭·১২ ভাগ মাটিহীন, ৪৪·৩৯ ভাগ অতিক্ষুদ্ৰ খেতিয়ক) অতিক্ষুদ্ৰ খেতিয়ক) ২·৫০ হেক্টৰৰ কম) আৰু ভূমিহীন হৈ পৰিছে।[৫]

অসমৰ জনগণৰ সংখ্যাগৰিষ্ঠ অংশৰ জীৱনৰ ভেটি স্থাপন কৰি কৃষি জীৱনৰ এটা উপায়মাত্ৰই হোৱা নাই, অসমৰ জাতীয় আয়ৰ প্ৰায় ৫০ শতাংশ কৃষি উৎপাদনৰ পৰাই আহিছে, আৰু ৰাজ্যৰ মুঠ শ্ৰমিক সংখ্যাৰ প্ৰায় দুই তৃতীয়াংশৰ কৰ্মসংস্থানৰ সুবিধা হৈছে। কিন্তু অসমৰ কৃষি-ব্যৱস্থা এতিয়াও অনুন্নত; প্ৰাচীন মনোভাব, গ্ৰাম্য আচাৰ নীতি, কৃষিকাৰ্য্যত ব্যক্তিৰ মতামত, পুৰণি শ্ৰমিক-নাঙল-বলধ পদ্ধতি ইত্যাদিয়ে এতিয়াও কৃষি উৎপাদনৰ ওপৰত ভালেখিনি প্ৰভাব পেলায়।

ভূমি বিতৰণ আৰু সামাজিক শ্ৰেণী বিভাজন ব্যৱস্থাই অতি প্ৰাচীন কালৰে পৰাই অৰ্থনৈতিক জীৱিকা বিতৰণ-ব্যৱস্থাৰো বৰঙণি যোগাই আহিছে। সামাজিক নিম্নবৰ্ণৰ অন্তৰ্ভূক্ত ভূমিহীন আৰু অতিক্ষুদ্ৰ কৃষকসকল গাওঁ অঞ্চলত জীৱিকাৰ আন উপায় নথকাত উচ্চবৰ্ণ বা ধণী কৃষকৰ মাটিত খেতি কৰি জীৱিকা নিৰ্বাহ কৰে। কৃষি বনুৱাৰ সংজ্ঞা নিৰ্ধাৰণ যদিও বিতৰ্কমূলক তথাপি কৃষিৰ ওপৰত নিৰ্ভৰ কৰি থকা মানুহৰ মাজত বেলেগৰ মাটিত বিভিন্ন ধৰণৰ কৃষি উৎপাদন কাৰ্যক জীৱিকাৰ এটা প্ৰধান উপায় হিচাপে গ্ৰহণ কৰা সকলক সহজেই কৃষি বনুৱা বুলিব পাৰি। অসমৰ মুঠ শ্ৰমিক সংখ্যাৰ এক দশমাংশ; সামাজিক ভাৱে নিম্নবৰ্ণৰ আৰু অৰ্থনৈতিক ভাৱে অনুন্নত এই কৃষি বনুৱা শ্ৰেণী অৰ্থনৈতিক দিশৰ পৰা অতি নিম্নস্তৰৰ যদিও সমাজত তেওঁলোকৰ ভূমিকা নিতান্ত অপৰিহাৰ্য্য।

স্বাধীনতাৰ পিচৰ পৰা বিশেষকৈ ১৯৬১ৰ লোক-পিয়লৰ পৰা অসমত কৃষি বনুৱাৰ দ্ৰুতবৃদ্ধি লক্ষণীয়। তলত দিয়া তথ্য তালিকাৰ পৰা এই মন্তব্যটোৰ সত্যতা উপলব্ধি কৰিব পাৰি।

**তথ্য তালিকা—(১)**

**বিভিন্ন খণ্ডত অসমৰ শ্ৰমিক শ্ৰেণীৰ বিতৰণ৬**

| বিভাগ | ১৯৬১ | ১৯৭১ | মুঠ শ্ৰমিকৰ শতকৰা হাৰ ১৯৬১ | ১৯৭১ |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| (১) কৃষক | ২,৯১৯,০৫৪ | ২,২৮৩,৬৯৮ | ৬৩·৩৩ | ৫৫·৮৭ |
| (২) কৃষি বনুৱা | ১৭০,২৪৩ | ৪০৫,৪৪০ | ৩·৭০ | ৯·৯১ |
| (৩) পশুপালন, বন, চাহ উৎপাদন ইত্যাদি | ৪৯৯,৫৭৫ | ৪৬০,৭৪৩ | ১০·৮৩ | ১১·২৭ |
| (৪) ঘৰুৱা শিল্প | ২৭০,০০৫ | ৫৬,৬৮৫ | ৫·৮৬ | ১·৪০ |
| (৫) উদ্যোগ | ৯৮,৪৭২ | ১১২,৫৯৮ | ২·১৩ | ২·৭৫ |
| (৬) নিৰ্ম্মাণ | ৩৭,৪৪২ | ৩৯,৩২৯ | ০·৮১ | ০·৯৬ |
| (৭) বাণিজ্য | ১৭৪,১২১ | ২৩১,২২৫ | ৩·৭৮ | ৫·৬৫ |
| (৮) পৰিবহন | ৭২,৮১৮ | ১০২,৭৩৪ | ১·৫৮ | ২·৫১ |
| (৯) অন্যান্য সেৱা ইত্যাদি | ৩৬৭,৫৪৩ | ৩৯৬,০৪১ | ৭·৯৮ | ৯·৬৮ |
| মুঠ শ্ৰমিক | ৪,৬০৯,২৭৭ | ৪,০৮৮,৪৯৩ | ১০০·০০ | ১০০·০০ |

অসমৰ গাওঁ অঞ্চলত কৃষি বনুৱাৰ দ্ৰুত সংখ্যা বৃদ্ধি স্বাধীনতাৰ উত্তৰ কালৰ এটা বৈশিষ্ট। এই বিলাক শ্ৰমিকৰ উৎপত্তিৰ কাৰণ যদিও সাধাৰণভাবে সামাজিক আৰু অৰ্থনৈতিক অনুন্নত অৱস্থাৰ লগত জড়িত তথাপি বৰ্ত্তমান শতাব্দীৰ প্ৰথম ভাগত কৃষি বনুৱাই কৃষক শ্ৰেণীৰ মাজত কোনো বিশিষ্ট পৰিসংখ্যাগত স্থান লাভ কৰা নাছিল আৰু স্বাধীনতাৰ পূৰ্ববৰ্তী কালত এই শ্ৰমিক শ্ৰেণী কৃষক সমাজৰ ভিতৰত শতকৰা ১ ভাগতকৈ অলপ বেছি আছিল।

সৰ্বভাৰতীয় ক্ষেত্ৰত কৃষিবনুৱা শ্ৰেণীয়ে আজি এটা সংখ্যাগত বিশিষ্ট স্থান অধিকাৰ কৰিছে। অৱশ্যে

বিভিন্ন ৰাজ্যত থকা মুঠ কৃষি বনুৱাৰ শতকৰা হাৰ তুলনা কৰি চালে অসমৰ স্থান প্ৰায় সৰ্বনিম্ন বুলি ধৰিব পাৰি; তথাপি স্বাধীনতাৰ পৰবৰ্তী কালছোৱাত অসমৰ অৰ্থনীতিত কৃষি বনুৱাৰ বৃদ্ধি ভাৰতৰ যি কোনো ৰাজ্যৰ তুলনাত অত্যন্ত দ্ৰুত। আনহাতে স্বাধীনতাৰ পৰবৰ্তী যুগত যদিও বিভিন্ন শিল্পোদ্যোগ, বাণিজ্য, পৰিবহণ, চৰকাৰী সেৱা ইত্যাদি খণ্ডত কৰ্ম সংস্থানৰ সুবিধা বৃদ্ধি পাইছে তথাপিও শ্ৰমিকৰ বৃদ্ধিৰ হাৰতকৈ কৃষি বনুৱাৰ বৃদ্ধিৰ হাৰ উল্লেখযোগ্য ভাবে বেছি। স্বাধীনতাৰ উত্তৰ কালত অন্যান্য খণ্ডত শ্ৰমিকৰ সংখ্যা মন্থৰ গতিত বৃদ্ধি পাইছে আৰু ১৯৬১-৭১ দশকত (১৯৭১ৰ লোকপিয়লমতে) যেতিয়া অসমৰ মুঠ শ্ৰমিকৰ সংখ্যা শতকৰা ১১ ভাগ হ্ৰাস পায়, সেই হিচাপ মতেই কৃষি বনুৱাৰ সংখ্যা বছৰত শতকৰা ১৩·৮ ভাগ বৃদ্ধি পাইছে বুলি কোৱা হৈছে (তথ্য তালিকা—২)।

তথ্য তালিকা—(২)

১৯৬১—৭১ দশকত মুঠ শ্ৰমিক সংখ্যা আৰু কৃষি বনুৱাৰ শতকৰা পৰিবৰ্তন

| | অসম | ভাৰত |
|---|---|---|
| ১ | ২ | ৩ |
| মুঠ শ্ৰমিক | (—)১১·৩ | (—)৪·৩ |
| কৃষি বনুৱা | (+) ১৩৮·১ | (+)৫০·৭ |

অসমৰ কৃষি উৎপাদনৰ এই বনুৱা শ্ৰেণীৰ দ্ৰুত বৃদ্ধিয়ে (কৃষি বনুৱাৰ মাজত শতকৰা ৬০ ভাগৰো অধিক সংখ্যাৰ নিজস্ব খেতি মাটি নাই) কেৱল এওঁলোকৰ কৰ্ম সংস্থান, উপাৰ্জ্জন, ভোগ আৰু জীৱনৰ বিভিন্ন সমস্যাৱলীৰ ওপৰতেই তীব্ৰতা সৃষ্টি কৰা নাই, কৃষি উৎপাদন আৰু সমগ্ৰ অৰ্থনীতিৰ ওপৰতো গুৰুতৰ প্ৰভাৱ পেলাইছে।

কৃষি শ্ৰমিকৰ কৰ্মসংস্থানৰ শতকৰা ৮০ ভাগ নিৰ্ভৰ কৰে কৃষিৰ ওপৰত। কিন্তু কৃষি শ্ৰমিক আৰু প্ৰান্তিক খেতিয়কৰ দ্ৰুত সংখ্যা বৃদ্ধিয়ে কৃষি উৎপাদনত কৰ্ম-মজুৰীৰ সুবিধাৰ ক্ষেত্ৰত অনিয়মতা আৰু অনিশ্চয়তাৰ সৃষ্টি কৰিছে আৰু ফলস্বৰূপে অধিক সংখ্যক ভ্ৰাম্যমান আকস্মিক শ্ৰমিকক নিবনুৱা আৰু অৰ্দ্ধনিবনুৱা হবলৈ বাধ্য কৰাইছে। গাওঁৰ আচাৰ অনুষ্ঠান; ব্যক্তিৰ মতামত আৰু অৰ্থনৈতিক অৱস্থাই কৃষি বনুৱাৰ কৰ্ম সংস্থানৰ ওপৰত বিশেষভাবে প্ৰভাব পেলায়।

কৃষি বনুৱাৰ পৰিয়ালৰ তিনি চতুৰ্থাংশ আয় কৃষি মজুৰীৰ পৰা সংগৃহীত হয়। বস্তু মজুৰী, কিছুমান অতি-ৰিক্ত সুবিধা (perquisites), কৃষি উৎপাদনৰ গাওঁলীয়া ৰীতি-নীতিয়ে শ্ৰমিকৰ মজুৰী নিৰ্দ্ধাৰণ কৰাত সহায় কৰে। সেই কাৰণে আধুনিক পৰিবৰ্তনশীল শ্ৰমিক আইনৰ সুবিধাই বা মজুৰীৰ উন্নত নিৰিখমানে গাওঁৰ কুটীৰ বাসী দুখীয়া শ্ৰমিকক খুব কমেই সহায় কৰে। স্বাধীনতাৰ পিচৰ পৰা কৃষি শ্ৰমিকৰ মুদ্ৰা মজুৰীৰ পৰিমাণ মন্থৰ গতিত হলেও বৃদ্ধি পাইছে। কিন্তু দ্ৰব্যমূল্যবৃদ্ধিৰ লগত কৃষি মজুৰীৰ বৃদ্ধি অসামঞ্জস্যপূৰ্ণ। গাওঁ অঞ্চলত উপাৰ্জনৰ উপায়বোৰ অত্যন্ত সীমিত হোৱাত; বিশেষকৈ অতিৰিক্ত শ্ৰমিক আৰু অতি ক্ষুদ্ৰ খেতিয়কৰ সংখ্যা বৃদ্ধিৰ ফলত আৰু কৃষি উৎপাদনৰ আধুনিকীকৰণ মন্থৰ গতিত আগ বঢ়াৰ হেতু ভালেমান কৃষি শ্ৰমিক এটা ভয়াবহ নিবনুৱা সমস্যাৰ সন্মুখীন হৈছে। তেনেকুৱা অৱস্থাত উপাৰ্জ্জনৰ পৰিমাণ বিশেষভাবে কম আৰু পৰিয়ালত জনসংখ্যাৰ চাপ বেছি হোৱাৰ ফলত কৃষি শ্ৰমিকৰ জীৱনৰ মান সমাজৰ আন আন শ্ৰেণীৰ তুলনাত অত্যন্ত নিম্ন। আনহাতে মুদ্ৰাস্ফীতিৰ প্ৰবলতা, উপাৰ্জ্জনৰ অনিশ্চয়তা আৰু সৰ্বগ্ৰাসী দাৰিদ্ৰাই এই বিলাক পৰিয়ালক ঋণগ্ৰস্ততাৰ ফালে ঠেলি দিয়ে। বছৰৰ বিভিন্ন সময়ত এইবিলাক পৰিয়ালে গাওঁৰ ধনী কৃষক আৰু মহাজনৰ পৰা ধান, চাউল বা টকা পইচা অধিক সুদৰ বিনিময়ত গ্ৰহণ কৰি এটা ঋণৰ চকুপানী নৌমচোঁতেই আন এক ঋণগ্ৰস্ততাৰ মাজত প্ৰবেশ কৰে।

কৃষি শ্ৰমিক এইদৰে সমাজৰ এটা নিম্ন অৰ্থনৈতিক আৰু সামাজিক পৰিবেশত থাকি ভাৰতৰ অৰ্থনীতিৰ আটাইতকৈ প্ৰয়োজনীয় প্ৰাথমিক উৎপাদনৰ ভাৰ লৈ দাৰিদ্ৰ্যৰ মাজত জন্ম হৈ দাৰিদ্ৰ্যৰ ভিতৰতেই ডাঙৰ হৈ আৰু নিজৰ ল'ৰা-ছোৱালীৰ মাজত দাৰিদ্ৰ্য বিয়পাই জীৱনৰ পৰা বিদায় গ্ৰহণ কৰে।

অসম বা ভাৰতীয় অৰ্থনীতিৰ গুৰি ধৰোতা এই শ্ৰমিক সকলৰ কাৰণে পঞ্চবাৰ্ষিকী পৰিকল্পনাত বিশেষ ভাবে তৃতীয় পৰিকল্পনাৰ পৰা ভালেমান আঁচনি লোৱা হৈছে আৰু এইদৰে কোৱা হৈছে যে সমাজৰ এই সকল দুখীয়া, ঋণগ্ৰস্ত, মাটিহীন আৰু সামাজিকভাবে নিম্ন-শ্ৰেণীৰ শ্ৰমিকৰ অৰ্থনৈতিক আৰু সামাজিক উন্নতি ঘাইকৈ নিৰ্ভৰ কৰিব কৃষি উৎপাদনৰ উন্নতি আৰু গ্ৰাম্য অৰ্থনৈতিক উন্নতিৰ ওপৰত।[৭] যদিও পৰিকল্পনাৰ মাজত কৃষি বনুৱাৰ কাৰণে বিভিন্ন ব্যৱস্থা যেনে, ভূমিহীনক ভূমি বিতৰণ, ন্যূনতম কৃষি মজুৰীৰ নিৰ্দ্ধাৰণ; কৰ্মসংস্থান আঁচনি ইত্যাদি গ্ৰহণ কৰা হৈছে তথাপি কৃষি শ্ৰমিকৰ সমস্যা অৰ্থনৈতিক সমাজৰ গভীৰ প্ৰদেশত প্ৰৱেশ কৰাৰ কাৰণে এই বিলাক আঁচনিৰ বাস্তৱ ৰূপায়ণ পৰিকল্পনাৰ সময়ৰ ভিতৰত বিশেষভাৱে প্ৰভাৱ পেলাব পৰা নাই।[৮] এইখিনিতে উল্লেখযোগ্যযে প্ৰধানমন্ত্ৰীৰ ২০ দফীয়া আঁচনিত কৃষি শ্ৰমিকৰ বিভিন্ন সমস্যাৱলীৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। অসমৰ মুখ্যমন্ত্ৰীয়ে বিশেষ ভাবে সমাজৰ দুখীয়া আৰু পিচপৰা শ্ৰেণীৰ বাবে গভীৰ প্ৰত্যয়ৰ সৈতে পৰিকল্পনাৰ নতুন মূল্যায়ণ কৰি গাৱঁৰ পথাৰত আশাৰ বীজ সিচিছে। ২০ দফীয়া আঁচনিৰ দ্ৰুত মাটি বিতৰণ, কৃষি বনুৱাৰ নতুন মজুৰী নিৰ্দ্ধাৰণ, সমবায় আৰু ঋণদান ব্যৱস্থাৰ পৰিকল্পনা; ঋণগ্ৰস্ততা দূৰীকৰণ, অত্যাৱশ্যক বস্তুৰ চৰকাৰী বিতৰণৰ দৰে দ্ৰুত অৰ্থনৈতিক অভিযান সমূহে অসম ৰাজ্যৰ কৃষি বনুৱাৰ বাবে এটা সুকীয়া ভৱিষ্যৎ গঢ়ি তুলিবলৈ সক্ষম হ'ব ।৯ ?

1. Department of Economics and Statistics; Government of Assam, Economic Survey, 1972, p, 14
2. Ibid.
3. Ibid.
4. Census Reports 1961 and 1971.
5. National Sample Survey, No. 215, 1971-72.
6. Census. of India, 1961, vol. III, Assam Part II-B (1), pp. 2-3 and Census of India 1971, series 3—Assam, Part II—A, pp. 150-211.
7. Planning Commission, Third Five Year Plan, p. 376.
8. Kar, G, C., Problems of Agricultural Labours in Assam since independence (Thesis), G. U., p. 369.

# সংস্কৃতিৰ বিষয়ে

অনু: সোমনাথ বৰা
২য় বাৰ্ষিক প্ৰা. বি. (বিজ্ঞান)

[ লিখকৰ চমু পৰিচয় :—ভাৰতীয় সংস্কৃতিৰ একান্ত উপাসক আৰু অগাধ প্ৰতিভাশালী ডঃ বাসুদেৱ শৰণ আগৰৱালাৰ জন্ম এটা সভ্ৰান্ত বৈষ্ণৱ পৰিয়ালত হৈছিল। তেখেত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পুৰাতত্ব, ভাৰতীয় ইতিহাস আৰু সংস্কৃতি বিভাগৰ অধ্যাপক আছিল। তেখেত প্ৰাচীন ভাৰতীয় ভাষা আৰু লিপিৰ বিদগ্ধ পণ্ডিত আছিল। বিশেষকৈ আলোচনাত্মক ৰচনাৰ ক্ষেত্ৰত তেখেতৰ স্থান অন্যতম। ]

ভাৰতীয় সংস্কৃতিৰ ইতিহাস দেশ তথা কালবিশেষে সুবিস্তৃত। প্ৰায় পাঁচ হেজাৰ বছৰ সুদীৰ্ঘ সময়ত এই সংস্কৃতিয়ে বিভিন্ন দিশত বিকাশ লাভ কৰিছে। এই ক্ষেত্ৰবোৰৰ সম্বন্ধে আমি আগলৈ বিচাৰ কৰিম আৰু দেখা যাব যে সংস্কৃতিৰ বিভিন্ন ৰূপ কি কি? সংক্ষেপে জীৱনৰ যিমানবোৰেই বিকাশ ক্ষেত্ৰ সেই সকলোবোৰেই সংস্কৃতিৰ বহুমুখী সামগ্ৰী। ধৰ্ম্ম, দৰ্শন, সাহিত্য, কলা, সমাজ পৰিবৰ্ত্তনশীল অনেক সংস্থা, এই সকলো বিলাকৰ নামেই সংস্কৃতি। ভাৰতীয় সংস্কৃতি অধ্যয়ন কৰি এই দেশত সেই সংস্থাবোৰৰ যি বিভিন্ন ৰূপ দেশ আৰু কাল বিশেষে বিকাশ লভিছে সেই সকলোবোৰৰ ওপৰত আলোচনা কৰা উচিত হব।

যেনেকৈ সংস্কৃতিৰ বিকাশৰ কাৰণে যুগানুৰূপী সময়ৰ আৱশ্যক, ঠিক তেনেকৈ সংস্কৃতিৰ বিকাশৰ কাৰণে লীলাভূমি বা দেশ থকাও প্ৰয়োজন। দেশ তথা সময়ৰ লগে লগে সংস্কৃতিৰ স্বৰূপ মানবীয় যত্নৰ দ্বাৰা সদায় পৰিবৰ্ত্তন হৈ আহিছে। ভাৰতীয় দেশ বিস্তাৰৰ সীমাৰো সময়ক্ৰমে পৰিবৰ্ত্তন হৈছে। যি বিচিত্ৰ ভূমিৰ নাম ভাৰতবৰ্ষ, ইয়াৰ ভৌগোলিক সীমাৰ আৰম্ভ পামীৰ মালভূমিৰ উত্তৰ বাহিনী নদী আৰু উত্তৰে সুদূৰ হিমালয়লৈকে জুৰি আছিল, দক্ষিণে পূৱ আৰু পশ্চিমৰ সমুদ্ৰ ভাৰতীয় ভূগোলৰ অংগ আছিল। আদি কবি বাল্মীকিয়ে ৰামৰ স্বৰূপ বৰ্ণনা এনেদৰে লিখিছিল—"সমুদ্ৰ ইব গাম্ভীৰ্য্য ; ধৈৰ্য্যত্ব্যা হিমবানিব।"

সেইয়া ভাৰতীয় ভূগোলৰ প্ৰকৃত চিত্ৰ আছিল। ভাৰতৰ এই ক্ষেত্ৰ বিস্তাৰক পুৰণি শব্দত 'সৰ্বভূমি' বা মহাপৃথিবী কোৱা হৈছিল। ৰাজনৈতিক দৃষ্টিৰে অশোকে ইয়াক 'মহালক বিজিত' আখ্যা দিছিল। এই মহাভূমিৰ গৰ্ভত অনেক পৰ্ব্বত-পাহাৰ আৰু নদ-নদী আছে, যিবিলাকে এই ভূ-খণ্ডক বিভিন্ন ক্ষেত্ৰত ভাগ কৰিছে। এই বেলেগ বেলেগ ভৌগোলিক সীমাবোৰক প্ৰাচীন পৰিভাষাত 'জনপদ' কোৱা হৈছিল। এই জনপদৰ সীমিত ক্ষেত্ৰখিনিক 'পৃথিৱী' আৰু গোটেই দেশক 'মহাপৃথিৱী' বা 'সৰ্ব্বভূমি' কৈছিল। এই কাৰণেই জনপদৰ ৰজা পাৰ্থিব আৰু একতকৈ অধিক 'জনপদ'ৰ অধিপতিক 'সাৰ্বভৌম' বা সম্ৰাট কৈছিল। ভাৰতীয় ইতিহাস আৰু সংস্কৃতিৰ অধিকাংশ এই 'জনপদ' ভূমিবোৰতেই প্ৰতিপালিত হৈছিল। জনপদে স্থূল জনজীৱন আৰু সংস্কৃতিক প্ৰতি-পালন কৰোতা ধাত্ৰীৰ দৰে জীয়াই ৰাখিছিল আৰু সেইবোৰৰ বিভিন্ন বিকাশত বাধা দিয়া বাহ্যিক কাৰণ সমূহক যথা শক্তিৰে আঁতৰাই ৰাখি সংস্কৃতিৰ উন্নতিত সহায় কৰিছিল। ইতিহাসৰ আশ্ৰয়ত অহা অনেক বেদ অনুসৰি জনপদবোৰৰ সীমা বঢ়া টুটা হৈ আছিল। সেই সীমাবোৰৰ বিস্তাৰৰ কথা ভাৰতীয় ইতিহাসে সম্পূৰ্ণ মানে।

এইখিনিতেই সংস্কৃতি শব্দৰ অৰ্থৰ ওপৰত বিচাৰ কৰা উচিত হব। এই শব্দৰ প্ৰয়োগ সকলোতকৈ আগতে যজুৰ্বেদে কৰিছিল-"সা প্ৰথমা সংস্কৃতি বিশ্ববাৰা" (যজুৰ্বেদ ১৭।১৪ পৃঃ) এই বাক্যটিৰ সম্পূৰ্ণ ভাবটো হৈছে—এই বিশ্বৰ স্ৰষ্টা আৰু অধিপতি কোনো চৈতন্য-দেৱ তত্ত্ব। তেওঁ নিজ শক্তিৰে যি বিশ্ব বা নিত্যবিধানৰ ৰচনা কৰিছে, তেওঁ সোমদেৱ। এই সোমদেৱৰ ৰক্ষা মানৱৰ প্ৰয়োজনীয় কৰ্তব্য। ইয়াক যজ্ঞৰ দ্বাৰা সম্পন্ন কৰা হয়। সোমদেৱৰ সৰ্ব্বতোপ্ৰকাৰে ৰক্ষণাবেক্ষণেই বিশ্ব বৰ্ণিত প্ৰথম সংস্কৃতি।

সংস্কৃতি শব্দৰ অৰ্থ সংস্কাৰ সম্পন্ন জীৱন। এই সংস্কাৰবোৰ মন, কৰ্ম আৰু বচনৰ দ্বাৰা উৎপন্ন কৰা হয়। বিশ্বৰ বিৰাট মঞ্চত স্বয়ং প্ৰকৃতিয়ে এই সংস্কাৰ বোৰ উৎপন্ন কৰিছে। এইবোৰেই হৈছে ইয়াৰ ৰচনা যাৰ নানা ৰূপ দেশ তথা কাল বিশেষে আমাৰ সমুখত প্ৰকাশিত হৈ আহিছে। প্ৰকৃতিৰ দৰে মানুহেও নিজৰ যত্নেৰে সংস্কাৰ উৎপন্ন কৰিছে। সেই সংস্কাৰে নিজৰ আধ্যাত্মিক জীৱনক, তেওঁ যি সমাজৰ অংগ সেই সমাজৰ জীৱনক আৰু ইয়াৰ সম্পৰ্কত অহা ভৌতিক পদাৰ্থবোৰক সুন্দৰ সুখময় আৰু বিশ্ব নিয়মৰ অনুকূলে গঢ়ে। বিশ্বৰ নিয়মবোৰৰ নামেই ধৰ্ম্ম। সেই ধৰ্ম্ম মানৱীয় জীৱনত নিয়ম আৰু মৰ্য্যাদা ৰূপত প্ৰকাশ পায়, যিবোৰৰ সমুচিত পালনৰ দ্বাৰা ব্যক্তি তথা সমাজ দুয়োৰে সুখ তথা কল্যাণ হয়।

সংস্কৃতিৰ এই পৰিভাষাটো সৰ্বমান্য। ধৰ্ম্ম আৰু জীৱন ইয়াৰ পৰ্য্যায় শব্দ। মানুহে কৰা যত্নবোৰেই হৈছে সংস্কৃতিৰ সৃষ্টিত সকলোতকৈ মহত্বপূৰ্ণ তত্ব। মুঠতে মানৱ সংস্কৃতিক এক সূত্ৰত মন, কৰ্ম আৰু বচনৰ ৰচনা বুলি কব পাৰি। মানুহে নিজে, কৰ্মৰে আৰু শব্দেৰে এতিয়ালৈকে যিমানখিনি ৰচনা কৰিছে সেই সকলোবোৰ হৈছে তেওঁলোকৰ সংস্কৃতি। সংস্কৃতিৰ ৰচনা অতীত, ভৱিষ্যত আৰু বৰ্ত্তমানত চলি থকা নিৰন্তৰ চৰ্চ্চা মাথোন। মানুহে যি ভাবিছিল, আৰু কৰিছিল, বৰ্ত্তমানত যি কৰি আছে আৰু ভৱিষ্যতে কি কৰিব—এই সকলোবোৰকে সংস্কৃতি কোৱা হয়। এইবোৰ মানুহৰ সংস্কাৰৰ নমুনা মাথোন।

মন, কৰ্ম আৰু বচন মানৱ ব্যক্তিত্বৰ তিনিটা গুণ। ইয়াৰেই তিনিটা ৰূপ আধ্যাত্ম, অধিদেৱ আৰু অধিভূত। এইবোৰ প্ৰাচীন শব্দ, কিন্তু ইয়াৰ অৰ্থ আজিও জীৱনত স্পষ্ট। মানুহৰ মনৰ সৃষ্টিয়েই হ'ল বিচাৰ আৰু এয়ে আধ্যাত্মিক জগত। মানুহৰ কৰ্ম্ম, ইয়াৰ প্ৰাণ শক্তিৰ লক্ষণ আৰু ইয়াকে অধিদেৱ সংসাৰ বোলে। মানুহৰ বিচাৰ আৰু কৰ্মৰে যিমান ভৌতিক বস্তুৰ স্বৰূপ নিৰ্মাণ হৈছে এইবোৰক অধিভূত

বোলে। এই সকলোবোবক আৰু স্পষ্ট কৰলৈ গলে— ধৰ্ম্ম, দৰ্শন, সাহিত্য আৰু আধ্যাত্মিক ভাব মানব মনৰ সৃষ্টি মাথোন। এই সকলোবোৰ ৰচনা মানব মনব সংস্কৃতিৰ মহত্বপূৰ্ণ অঙ্গ। আনহাতে ব্যক্তি, সমাজ আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ কাৰণে যিমান বিলাক যত্ন কৰা হৈছে; যেনে—ধৰ্ম্মৰাজ্য স্থাপনৰ, অথবা সামাজিক বা ধাৰ্ম্মিক আন্দোলন সকলোবোৰ কৰ্ম্মময়ী সংস্কৃতিৰ ৰূপ। মানবীয় সংস্কৃতিৰ অধ্যয়নত এইবোৰৰ বিশ্লেষণ অধিক মহত্বপূৰ্ণ। যি কাৰণ সমূহৰ পৰা উক্ত কামৰ প্ৰবৃত্তি উৎপন্ন হয় ইয়াৰ স্পষ্ট বিৱৰণ সংস্কৃতিৰ ইতিহাসৰ লাগতিয়াল অঙ্গ। সংস্কৃতিৰ তৃতীয় ক্ষেত্ৰ হৈছে মানৱৰ স্থূল বা ভূত-ভৌতিক ৰচনাসমূহ। ইয়াৰ মূখ্য ৰূপ জীৱনৰ সমস্ত স্থূল উপকৰণ; যাক আমি এটা শব্দত কলা আখ্যা দিও। এইদৰে বহল দৃষ্টি ভঙ্গীৰে বিচাৰ কৰিলে দেখা যায় যে, ধৰ্ম্ম, দৰ্শন, সাহিত্য, সাধনা, সৃষ্টি-মূলক যত্ন বা আন্দোলন, ৰাষ্ট্ৰ তথা সমাজ ব্যৱস্থা, জীৱন-যাপনৰ নিয়ম, কলা, শিল্প-স্থাপত্য, সংগীত, নৃত্য আৰু সৌন্দৰ্য্য ৰচনাৰ অনেক বিধান আৰু উপকৰণ আদি সকলোবোৰ মানব সংস্কৃতিৰ অন্তৰ্গত। এই সমষ্টিবিলাকৰ নামেই সংস্কৃতি। যিমান বিলাক মানুহৰ গুণ, সেয়ে তাৰ সংস্কৃতি। অৱশ্যে প্ৰত্যেক মানুহ কম-বেচি পৰিমাণে গুণ দোষৰ সমষ্টি। কবিৰ ভাষাত—'জড় চেতন গুণ-দোষময়, বিশ্ব কিন্তু কৰতাৰ'। অৰ্থাৎ যি কথা ব্ৰহ্মাৰ সৃষ্টিত আছে সেইবোৰ মানব জীৱনটো দৃশ্যমান। কিন্তু দোষ ত্যাগ কৰি গুণ গ্ৰহণ কৰাই প্ৰকৃত সংস্কৃতি। সংস্কৃতিৰ সৃষ্টিৰ সময়ত বা ইয়াৰ অধ্যয়নৰ সময়ত গুণসমূহ গ্ৰহণ কৰা নিতান্ত আৱশ্যক। গুণেই আদৰ্শ, আদৰ্শই কৰ্ম্ম আৰু ধৰ্ম্মই বিশ্বৰ সৰ্বোপৰি নিয়ম। যি নিয়ম মানবৰ ব্যক্তিগত জীৱন আৰু সমাজ বা ৰাষ্ট্ৰৰ জীৱনৰ লগত সমন্বিত, যি নিয়মৰ অধীনত মানবৰ হিতকাৰী নিয়মবোৰ আছে সেইবোৰো ধৰ্ম্মৰ অন্তৰ্গত। অৱশেষত ধৰ্ম্মৰ বহুতো উপাদেয় আৰু হৃদয়গ্ৰাহী পৰিভাষা যিবিলাকক পণ্ডিত সকলেও স্বীকাৰ কৰে, সেইয়া হৈছে—

"ধাৰনাদ্ ধৰ্ম্ম ইত্যাহুঃ ধৰ্মো ধাৰয়তে প্ৰজাঃ
যত্স্যাদ ধাৰণ সংযুক্তং, সধম ইত্যুদাহৃতঃ"।

অৰ্থাৎ যি নিয়ম সমাজ তথা ব্যক্তিৰ জীৱনৰ আধাৰ, সেয়ে ধৰ্ম্ম। ধৰ্ম্মৰ উদ্দেশ্য আৰু পৰীক্ষা প্ৰজাৰ জীৱন ৰক্ষা কৰা। যি তত্বত ধাৰ বা ৰক্ষণৰ শক্তি আছে, তাকেই ধৰ্ম্ম আখ্যা দিয়া হয়। বুদ্ধিজীৱি সকলেও ইয়াক স্বীকাৰ কৰে। কৰ্ম্ম বা সংস্কৃতিৰ বিদ্বান সকলে লক্ষ্য ৰখা উচিত যে, প্ৰকৃত সংস্কৃতিয়ে অতীত; ভৱিষ্য আৰু বৰ্ত্তমানক একেলগে বান্ধিব পাৰে, য'ত পুৰণা আৰু নতুনৰ মিলন ঘটে। কিছুমান মানুহ পাৰ হৈ যোৱা যুগৰ ভক্ত হৈ পৰে। তেওঁলোকে অতীতকেই ভাল বুলি ভাবি বৈ যায়। কিন্তু বৰ্ত্তমান পৰিস্থিতিত মানুহৰ নতুন কৰ্ম্মশক্তিৰ প্ৰতি কুণ্ঠাভাব থাকিলে কাৰো উপকাৰ নহয়। অতীতৰ গুণবোৰ বিশ্বাসেৰে গ্ৰহণ কৰা উচিত। কিন্তু অতীতে জীৱনক শক্তি দিব নোৱাৰে, যেতিয়ালৈকে তাৰ বাহ্যিক ৰূপৰ নৱ নিৰ্ম্মাণ নহয়। নতুনৰ নামেই জীৱন-"নবো নবো ভবতি জায়মানঃ"—অৰ্থাৎ যি পাৰ হৈ গল সি জড় বা মৃত। ভৱিষ্যতেহে নতুন জীৱনক প্ৰতিস্থা কৰিব পাৰে। এই দৃষ্টি ফালৰ পৰা কালিদাসেও কৈছিল—"পুৰাণমিত্যেন ন সাধু সৰ্বম্"। এইবোৰেই ভাৰতীয় সংস্কৃতিৰ প্ৰকৃত দৃষ্টিকোণ। কিন্তু আনহাতে এনেকুৱা মানুহো আছে যাৰ অন্তৰত অতীতৰ প্ৰতি শ্ৰদ্ধা নাই, তেওঁলোকেও ভবা উচিত জীৱন এজোপা বৃক্ষৰ সদৃশ। গছে ৰস গ্ৰহণ কৰি জীয়াই থাকিবলৈ হ'লে সদায়েই শিপাৰ আৱশ্যক। শিপাই মাটিৰ তলত থাকি গছ জোপাক ৰস দি জীয়াই থকাত সহায় কৰে। যি বৃক্ষৰ মূল চিঙি যায়, তাৰ জীৱন কালো কমি আহে। মুঠতে অতীতৰ গুণসমূহ বৰ্ত্তমানত গ্ৰহণ কৰি ভৱিষ্যত জীৱনৰ উজ্জ্বলতাৰ কাৰণে কাম কৰি যাব লাগে। সময়ৰ তিনিটা চকা একেখন ৰথতেই লাগি আছে আৰু ইয়াৰ যি কোনো এটা চকা ভাঙি গলেই ৰথৰ গতি বন্ধ হৈ যায়। ঠিক—এনেকৈয়ে সংস্কৃতি তথা জীৱনৰ সমন্বিত আৰু সম্পন্নৰূপসমূহ লাভ কৰিব পাৰি। □ □



**• যোৱা তিনিটা সংখ্যা এৰিয়ানৰ এটি পৰ্য্যালোচনা •**

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

বহুতো পলাইছে। যোৱা দহটা বছৰৰ অৰ্থনৈতিক ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক জটিলতাৰ সন্মুখীন হ'ব নোৱৰি ডাঙৰ-সৰু বহু মানুহেই পৃষ্ঠভংগ দিছে। কিছুমান পলাইছে জীৱনৰ পৰা জীৱনাতীতলৈ। আন-বোৰ পলাইছে জীৱনৰ মহান বৰণীয় দিশটোৰ পৰা কদৰ্য, আত্ম-বিধ্বংসী, মোহগ্ৰস্ত, ভয়াবহ দিশটোলৈ। আনহাতে মুষ্টিমেয় সচেতন এচামে জীৱনৰ সৈতে সহজ সম্পৰ্ক গঢ়ি তুলিবলৈ' বিচাৰিছে, বিচাৰিছে পীড়ন বৈষম্য আৰু সামাজিক অসাম্যৰ পৰা উদ্ভৱ হোৱা দুৰ্দশাৰ পৰা মুক্তি। ই যেন এক প্ৰবাহমান জীৱন চিত্ৰ। জটিল সমাজ-বিকাশৰ এই দুই ভিন্নমুখী ধাৰাৰ প্ৰভাৱ দেশৰ তৰুণচাম সাহিত্যিকৰ সকলো সৃষ্টিতে বিদ্যমান।

এফালে জীৱনৰ পৰা পলায়ন আনফালে জীৱনক গ্ৰহণ ; এফালে সমাজ জীৱনৰ পৰা পলায়ন আনফালে সমাজ জীৱনক গ্ৰহণ পক্ষান্তৰে সমাজ জীৱন প্ৰকৃত অৰ্থত 'সামাজিক' ( social ) কৰাৰ প্ৰয়াস—এই দুই ধাৰাৰ প্ৰভাৱ যোৱা তিনিটা সংখ্যা 'এৰিয়ান' (চতুৰ্দশ, পঞ্চদশ, ষষ্ঠদশ সংখ্যা) পঢ়িলে সহজে উপলব্ধি কৰা যায়। এই কালচোৱাত ৰাজনৈতিক জীৱনত ছাত্ৰ-সমাজে এফালে পাইছে সুদীৰ্ঘ আন্দোলনৰ ( ভাষা, এঘাৰ দফীয়া কাৰ্যসূচী আৰু অন্যান্য ) তিতা-কেঁহা অভিজ্ঞতা ; আনফালে সন্মুখীন হৈছে গুণগতভাৱে ( Qualitatively ) পৰিবৰ্তিত এক নতুন পটভূমিৰ। বিজ্ঞানৰ ক্ষেত্ৰত দেখা পাইছে আণৱিক বোমা বিস্ফোৰণৰ প্ৰতিক্ৰিয়া। ধৰ্মৰ ক্ষেত্ৰত দেখিছে এক আগ্ৰাসী নব্য-আধ্যাত্মিক ( Neo spiritual ) বাবাকেন্দ্ৰিক অৱক্ষয়ৰ ধুমুহা। এই সকলোবোৰে ছাত্ৰ আৰু যুৱকসকলৰ মাজত যি ভিন্নমুখী চিন্তাৰ ঢৌ তুলিছে তাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ আভাস এৰিয়ানৰ বুকুতো পোৱা যায়।

অৱশ্যে এই কথা প্ৰথমেই কোৱা উচিত হ'ব, আলোচনীৰ প্ৰায়বোৰ গল্প-কবিতাই গুণগতভাবে নিম্ন খাপৰ। দুই এটা প্ৰবন্ধ উন্নত মানৰ (বিশেষকৈ পঞ্চদশ সংখ্যাৰ বিজ্ঞান শাখাৰ প্ৰবন্ধ কেইটা আৰু শিৱনাথ বৰ্মনকে ধৰি অধ্যাপক সকলে আগবঢ়োৱা প্ৰবন্ধ কেইটামান)। কলেজৰ আলোচনী বিলাকত প্ৰায়ে থকাদৰেই এৰিয়ানৰ এটা ইংৰাজী শাখাও আছে; কিন্তু এই শাখাৰ অৱস্থা পুতৌ লগা, হয়তো ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা উন্নত মানৰ লিখা নোপোৱা বাবেই এনে হৈছে। ইংৰাজী শাখাত সমালোচনা কৰিবলগা আৰু প্ৰয়োজনীয় ভাবে উলিয়াই দিব লগা কোনো ধাৰাই সৃষ্টি হোৱা নাই।

অসমীয়া কবিতাৰ ক্ষেত্ৰত দুই ধাৰাৰ প্ৰকাশ স্পষ্ট। এৰিয়ানৰ এই তিনিটা সংখ্যাৰ কবিতাসমূহৰ ভিতৰত যিসকল কবিৰ সৃষ্টিয়ে জীৱনক গ্ৰহণ কৰাৰ, আন্ধাৰৰ পৰা পোহৰলৈ, পতনৰ পৰা উত্থানলৈ, নিৰ্জনতাৰ পৰা জনতালৈ উত্তৰণৰ স্বাক্ষৰ বহন কৰিছে—সেই সকলৰ ভিতৰত নলিনীধৰ ভট্টাচাৰ্য (এই কুঁৱলীতে), ৰহেশ্বৰ ৰাভা (বিবৰ্তন, এই শৰত ৰঙা আদি), বীৰেন কলিতাৰ (ধূপৰ ধোঁৱাৰে), ৰমেশ দেৱ চৌধুৰীৰ (অপেক্ষা), গজেন ডেকা (কটাক্ষ), চন্দ্ৰজ্যোতি চুতীয়া (এটি কবিতা), কমলামল্ল বুজৰবৰুৱা (বহাগ), গিৰীশ কলিতা (স্বাধীন দেশ) উল্লেখযোগ্য। নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাটোৰ বাহিৰে বাকীবোৰৰ ক্ষেত্ৰত অৱশ্যে এই কথা কবই লাগিব যে ভাবতকৈ ভাষা বহু পিচপৰা। কথা বহুত ক'বলৈ বিচাৰে, ভাব বহু উচ্চ পৰ্যায়ৰ কিন্তু প্ৰকাশ ক্ষমতা দুৰ্বল, ভাষাৰ ভঁৰাল উদং, ফলত সৃষ্টি বৰ ভাল নহয়। নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ আহ্বান যেন কবিসকলৰ বেছিভাগেই শুনা নাই:

"দুৱৰ কপাট টপ্লা-ঠুংৰী শুনি শুনি
আমি নুশুনিলো
চহৰ গাঁৱৰ পতনৰ শব্দ
আমি নুশুনিলো জানৰ ৰাতিৰ
উজাগৰ উচুপনি
আমি নেজানিলো আমাৰ বাবে
সাগৰো শুকাই, মাণিকো লুকাই কিয়?
কোন ক'ত আছা এই কুৱলীতে ওলাই আহা........
(এই কুঁৱলীতে)

মানুহৰ বাবে সাহিত্য সৃষ্টি কৰিব খোজা সকলৰ ক্ষেত্ৰত এনে স্পষ্ট বক্তব্য অথচ কবিতা হিচাবে ৰসোত্তীৰ্ণ সৃষ্টি বিৰল। তথাপি গ্লানিৰ, পৰাজয়ৰ, মধ্যবিত্ত মোহৰ সোণৰ শিকলি ছিঙাৰ ইংগিত তৰুণতম সকলে বহন কৰিছে। যি সকলে মাথোঁ প্ৰকৃতিৰ ভয়াবহতা (মৃত্যু, ভাগ্য আদিৰ) দেখিছে, ভয়াবহতা দেখি তাকেই মানি লৈছে সেইসকলৰ সৃষ্টিও দুৰ্বল। এওঁলোকৰ ভাবৰ কৰুণতাই মনলৈ শঙ্কাৰ ভাবহে আনে, দুখবোধৰে জ্বলাই নোতোলে। জীৱনক গ্ৰহণ কৰাতকৈ ভাগ্যৰ কঠোৰতা আৰু মৃত্যুৰ শীতলতাকে গ্ৰহণ কৰাতে যেন এওঁলোকৰ তৃপ্তি। উজ্জ্বল দেৱ 'যদি পূৰ্ণ হয়' এই ক্ষেত্ৰত উল্লেখযোগ্য,—য'ত জীৱনতকৈ মৃত্যুক গ্ৰহণ কৰাৰহে বাসনা প্ৰবল।

'জন্মতকৈ মৃত্যু দয়াময়। কাৰণ মৃত্যু হ'ল স্মৃতি চলমান তৃষ্ণা—ই বই যায় শৰীৰৰ পাৰ ভেদি আৰু জীৱ? ইটো ঘূৰে বিদেশিনী হৈ প্ৰতিদিন অবিকৃত হয় ইয়াৰ অস্তিত্ব মাথো ভালপোৱাত।

সন্দেহাতীত ভাবে এনে পলায়নবাদী চিন্তাই ব্যক্তি কেন্দ্ৰিক মনোভাৱৰ ইংগিত বহন কৰে। আনহাতে এনে জীৱন বিৰোধী চিন্তাই জীয়াই থকা, জীয়াই থকাৰ বাবে যুঁজ কৰাৰ, যুঁজত হাৰিও আশাৰে পুনৰ যুঁজত ব্ৰতী হোৱাৰ চিৰন্তন মানৱ সংগ্ৰামৰ প্ৰতি বুঢ়া আঙুলি দেখুৱায়। এওঁলোকতকৈ অৱশ্যেই জীৱনক

গ্ৰহণ কৰা সকলৰে কণ্ঠস্বৰ বলিষ্ঠ। বাস্তৱৰ শিল্পী নহৈ কবিয়ে ব্যক্তিকেন্দ্ৰিক মনোজগতৰ আৱেগ অনুভূতিৰ বলীয়া গোঁৰাত উঠিব খুজিলে ভৱিষ্যত কবি আৰু জীৱনৰ সম্পৰ্ক কেনে হ'ব ভাবি শংকা জাগে এনে কবি সকলক সেয়ে জীৱনমুখী হ'বলৈ ঠোৰতে আহ্বান জনাব পাৰি।

কেৱল নন্দনতাত্ত্বিক দৃষ্টিভংগীৰে কবিতাবোৰ চোৱাৰ মানসিকতা কেৱল সামাজিক সত্যৰ প্ৰতি বীতশ্ৰদ্ধ, ভণ্ড আৰু সুবিধাবাদী সকলেহে কৰিব পাৰে, কিন্তু এই কথা উল্লেখনীয় যে ভাব ৰচনাশৈলী আৰু আংগিকৰ সমন্বয় সাধনৰ জৰিয়তেহে উন্নত মানৰ কবিতা সৃষ্টি সম্ভৱ হ'ব পাৰে।

এৰিয়ানৰ গল্পসমূহৰ অৱস্থা কবিতাতকৈও নিম্নস্তৰৰ। বেচিভাগ গল্পই বাস্তৱ অভিজ্ঞতাৰহিত, কাল্পনিক প্ৰেম কাহিনী অথবা প্ৰেম কাহিনীৰ উপলক্ষ্য। সমগ্ৰ সমাজতে তোলপাৰ লগোৱা ইমানবোৰ ঘটনা ঘটিব লাগিছে, ছাত্ৰজীৱনৰ লগত তথা সমাজজীৱনৰ লগত জড়িত ইমানবোৰ সমস্যা আছে, তাৰ কোনো প্ৰতিফলন গল্প সমূহত নহ'ল। বেচিভাগ গল্পই ভাষা আৰু প্ৰকাশৰ গল্পসুলভতাৰে সমালোচনাৰ যোগ্য হোৱাৰ অৰ্হতাও লাভ কৰিব পৰা নাই। অবিবাহিতা নাৰীৰ মনোবেদনা, প্ৰেমৰ ক্ষেত্ৰত প্ৰতাড়িত পুৰুষ-নাৰীৰ অতীত ৰোমন্থন, চেঙেলীয়া ডেকাৰ নাৰীদেহৰ প্ৰতি লালসাজনিত প্ৰেম এইবোৰক গল্পৰ উপজীব্য কৰি অসমীয়া সাহিত্যত হাজাৰ হাজাৰ গল্প লিখা হয় কিন্তু এটাও 'গল্প' নহয়। এৰিয়ানসকলো সফল হোৱা নাই। নাম উল্লেখ নকৰাকৈ এই কথা ক'ব পাৰি যে এওঁলোকে এই ধৰণে জীৱনৰ তথাং সৃষ্টিটো চোৱাৰ অভিলাষ বাদ দিয়া উচিত। জীৱনৰ গভীৰ সমস্যাবোৰৰ ছাপ নাথাকিলে গল্প সফল হ'ব নোৱাৰে। অন্যায়, দুৰ্নীতি, সামাজিক নিপীড়ন নিৰ্বিবাদে চাই থাকিব পৰা যি অথৰ্ব মানসিকতা, সেয়া ভালেকেইটা গল্পতে প্ৰতিফলিত হৈছে। বিচিত্ৰ ডেকাৰ 'এটি নিশাৰ ডায়েৰী', জিতেন লহকৰৰ 'বন্দি' আদিৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য। এনে অথৰ্ব মানসিকতা অথবা দুৰ্নীতিৰ আশ্ৰয়ত জীৱনত উন্নতি লাভৰ উপপথৰ প্ৰতি পৰোক্ষ সমৰ্থনে প্ৰকৃততে আমাৰ সমাজৰ পেটি বুৰ্জোৱা মানসিকতা কিমান অশ্লীল তাৰ ইংগিত বহন কৰে। পঞ্চদশ সংখ্যাত প্ৰকাশিত 'পলাতক' নামৰ চুটি উপন্যাস (দীঘল গল্প?) খনেও পলায়নবাদী চৰিত্ৰ এটাৰহে ৰূপ দিলে। কাল্পনিক হোৱা বাবে এনে কাহিনীয়ে স্বাভাৱিকতে মনলৈ প্ৰশ্ন আনে, এনে কাহিনীৰ স্ৰষ্টাই কিয় চৰিত্ৰবোৰ পলায়নবাদী কৰে? নিজৰ ঘৰ-বাৰী সম্পত্তি সকলো আনে কাঢ়ি নিয়ে, নিজৰ ভগ্নীৰ সতীত্ব নাশ কৰে নিজৰে কৈশোৰ সংগীয়ে, নিজৰ প্ৰেমিকা হয় আনৰ অংকশায়িনী, মাতৃ অনাহাৰে-অনিদ্ৰাই মৃত, ভ্ৰাতৃ কু-শিক্ষাৰে দুৰ্দশাগ্ৰস্ত, নিজৰ ভৱিষ্যত ধনৰ অভাৱত অন্ধকাৰ— এই জটিল পৰিৱেশত চৰিত্ৰসমূহৰ জীৱনবোধ গভীৰ আৰু কঠোৰতাৰে যুঁজিবলৈ সাজু হোৱাহে স্বাভাৱিক মানুহৰ লক্ষণ। যি নুযুঁজে তাৰ প্ৰতি পুতৌৰ ভাবহে আহে। অৱশ্যে নতুন গল্পলিখকে যে জীৱনক গ্ৰহণ কৰাৰ আৰু বাস্তৱ চিত্ৰ অংকণৰ চেষ্টা কৰা নাই তেনে নহয়। তেনে এক চেষ্টা তৰুণকৃষ্ণ গোস্বামীৰ 'এখন নদীৰ বুকুত'। বানে ধোৱা মাজুলীৰ এটি চৰিত্ৰক কেন্দ্ৰ কৰি এই গল্প। ভয়াবহ বানে গাৱঁৰ পিছত গাওঁ ধুই নিছে। ঘৰ-বাৰী, তিৰী-পুত্ৰ হেৰুৱাই এজন শিক্ষক ভিক্ষাৰী হৈছে। কাল্পনিক হোৱা বাবে প্ৰকৃত চৰিত্ৰ অংকণত লিখক বিফল হৈছে। বানে সৰ্ব্বস্ব লুণ্ঠিত কৰা মাজুলীৰ লোকসকল আচলতে কোন? সাধাৰণ উত্তৰ কৃষক। মূলতঃ কৃষিভিত্তিক এখন সমাজ ভাগি কিদৰে বিপৰ্যয় আহে সিহে সত্য। শিক্ষকৰ তেনে বিপৰ্যয় সাধাৰণতে নহয়, কাৰণ বৰ্তমান সমাজত এনে শিক্ষিত পেটি বুৰ্জোৱাই যি কোনো পৰিৱেশতে খাপ খোৱাৰ ব্যৱস্থা আছে। আৰু বীতাৰ বিপৰ্যয়

অধিক কাল্পনিক। ৰীতাৰ বিপৰ্য্যয়ৰ পথ আবিষ্কাৰ কৰাত লিখক ব্যৰ্থ হৈছে। এই বিপৰ্যয়ৰ পথ খুলি ৰাখিছে এটা সমাজ ব্যৱস্থাইহে, কেইটামান মানুহে নহয়। দুমহলীয়া হোটেলত সতীত্ব বিক্ৰী কৰিব লগা হোৱা ৰীতাৰ জীৱনলৈ নাটকীয় ( dramatic ) পৰিণতি অনাৰ প্ৰয়োজনো নাছিল। আনহাতে মদনৰ পৰিণতিও ( ৰীতাৰ দেহ কান্ধত লৈ লুইতৰ বুকুত জাপ ) কাল্পনিক। সত্যৰে মানুহক অভিজ্ঞতাৰ পোহৰ বিলোৱাতকৈ এনে চিত্ৰ অংকণে লিখকৰ অভিজ্ঞতাৰ অপৈনত ৰূপটোহে প্ৰকাশ কৰে। দুই এটা গল্প অৱশ্যেই বাস্তৱ অৱস্থাৰ চিত্ৰায়ণত সফল হৈছে। চন্দ্ৰমল্লিকা চৌধুৰীৰ 'ইন্টাৰভিউ' শিক্ষিত নিবনুৱা সমস্যাৰ ভয়াবহতা অংকণত সফল হৈছে। শ্ৰীমতী চৌধুৰীৰ মূল চৰিত্ৰৰ দুৰ্নীতিৰ প্ৰতি মোহ নাই আনহাতে হতাশাও অহা নাই। মনুষ্যত্বৰ অৱনতিও ঘটা নাই। এওঁলোকে কিবা কৰাৰ আশা আছে। গল্পটোত 'ইন্টাৰভিউ' লোৱা মানুহজনৰ আৰু মালিকৰ সামাজিক ৰূপটো স্পষ্ট হৈছে। ৰমেন বৰ্মনৰ 'নিশাৰ প্লেটফৰ্ম' গল্পটোও এই ক্ষেত্ৰত উল্লেখযোগ্য। দুৰ্নীতিপৰায়ণ বদমাচ ভূপসিংহঁতৰ চৰিত্ৰ অংকণত আংশিকভাবে গল্পকাৰ সফল হৈছে। ৰীৰসা আৰু আকালীৰ মানবীয় সততা আৰু সাহসে সহজে আকৃষ্ট কৰে। ভূপসিঙক ৰীৰসাই গুলী কৰা, ভূপসিঙৰ চাপ্ৰাচীৰ হাতত ৰীৰসাৰ মৃত্যু ইত্যাদি ঘটনাই নাটকীয়তা আনিলেও মূল চৰিত্ৰৰ মানসিক দৃঢ়তা আৰু আদৰ্শ নিষ্ঠাৰে অংকণ কৰিছে। এই সকল গল্প লিখক জীৱনৰ অভিজ্ঞতাৰ বহল পথাৰলৈ খোজ দিলে আৰু অধিক উন্নত গল্প সৃষ্টি কৰিব পাৰিব। এই দুয়োটা গল্পই ষষ্ঠদশ সংখ্যাৰ।

এৰিয়ানৰ কবিতা আৰু গল্পসমূহতকৈ প্ৰবন্ধৰাজিৰ মান উন্নত আৰু বিষয়বস্তু নিৰ্বাচনৰ পথাৰখনো বিস্তৃত। মাধৱদেৱৰ বৰগীতৰ পৰা বিজ্ঞান আৰু দৰ্শনৰ জটিল সমস্যাৰাজিলৈকে বিভিন্ন সমস্যালৈ একুৰিতকৈও বেচি উল্লেখযোগ্য প্ৰবন্ধ যোৱা তিনিবছৰৰ এৰিয়ানত প্ৰকাশ পাইছে। প্ৰতিটো প্ৰবন্ধৰ বিষয়ে খুটি-নাটি মাৰি আলোচনা কৰা এই প্ৰবন্ধত সম্ভৱ নহয়। মাত্ৰ বিশেষ উল্লেখযোগ্য কেইটামানৰ বিষয়ে ইয়াত থূলমূলকৈ কোৱা হ'ব। চতুৰ্দশ সংখ্যাৰ বিশ্ববিদ্যালয়ত শিক্ষাৰ মাধ্যম ( মাণিক শৰ্মা ), ভাষাজননীৰ চমু ইতিহাস ( দীলিপ কুমাৰ দত্ত ), দাৰ্শনিক দৃষ্টিত আধুনিক পদাৰ্থ বিজ্ঞান ( শিৱনাথ বৰ্মন ) ; পঞ্চদশ সংখ্যাৰ ভাৰতীয় সমাজবাদৰ স্বৰূপ ( প্ৰদীপ ফুকন ), বুৰঞ্জী ( শিৱনাথ বৰ্মন ), জীৱনীমূলক প্ৰবন্ধ বিজ্ঞানাচাৰ্য সত্যেন্দ্ৰনাথ বসু ( অমূল্য চৌধুৰী ), নিক'লাছ ক'পাৰনিকাছ ( ৰমেশ শৰ্মা ), ষষ্ঠদশ সংখ্যাৰ ৰুচিয়াৰ সমাজবাদ প্ৰতিষ্ঠাত লেনিনৰ ভূমিকা ( নৱকুমাৰ ভট্টাচাৰ্য ), ইতিহাসৰ বেঙণি ঃ শ্ৰীসূৰ্য মৰনৈৰ বিননি ( আশুবোধ কলিতা ), আমাৰ বিপথগামিতা ঃ এটি আত্মসমালোচনা ( অমিয় মহন্ত ), বিজ্ঞান চ'ৰাৰ নাশকাৰী কীটৰ জৈৱ নিয়ন্ত্ৰণ ( দিৱাকৰ ভাগৱতী ), উত্তৰ-পূৱ ভাৰতৰ খনিজ সম্পদ ( অঞ্জন বৰা ), Petroleum and Petrochemicals ( ডি ঘোষ ), কাঠফুলা ঃ বৈজ্ঞানিক দৃষ্টিভংগীৰে এটি পৰ্য্যালোচনা ( অৰুণ সন্দিকৈ ) আদি প্ৰধান। আৰু কেইবাটাও প্ৰবন্ধ আছে, যিবোৰৰ দৃষ্টি-ভংগী মূলতঃ গতানুগতিক। বিজ্ঞানসন্মত বিশ্লেষণৰ পৰিচয় বহন নকৰে। সেইবোৰৰ বিষয়ে মন্তব্য নিষ্প্ৰয়োজন। 'বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম' প্ৰবন্ধত মাণিক শৰ্মাই শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাৱলীৰ কথা উল্লেখ কৰিছে ; কিন্তু মূলতঃ সমাজব্যৱস্থাৰ আমূল পৰিৱৰ্তন ব্যতিৰেকে যে সকলো ভাষা-ভাষী মানুহৰ সমস্যাৰ সমাধান হ'ব নোৱাৰে এই কথা উল্লেখ কৰা নাই। সকলো ভাষা-ভাষীৰ নিজৰ ভাষাত শিক্ষা গ্ৰহণৰ অধিকাৰ মৌলিক অধিকাৰ, কিন্তু আন ভাষা-ভাষীৰ সাংস্কৃতিক জীৱনত অপ্ৰয়োজনীয় ভাবে অশান্তিৰ সৃষ্টি কৰা গণতান্ত্ৰিক কিম্বা যুক্তি সংগত নহয়। ভাষাৰ সমস্যাটো সমগ্ৰ ভাৰতীয় সমস্যা এই কথা লিখকে

উল্লেখ কৰিছে, কিন্তু সংখ্যা লঘুৰ স্বাৰ্থৰক্ষাৰ নামতহে স্বাৰ্থজড়িত মহলেই প্ৰায়ে গণ্ডগোল সৃষ্টি কৰে এই কথা পাহৰি গৈছে। ভাষাজননীৰ ইতিহাসত (দীলিপ কুমাৰ দত্ত) আৱেগক প্ৰশ্ৰয় দিয়া বাবে মূল সত্য উদঘাটনত দত্ত সফল নহ'ল। 'ভাষা জাতিৰ জননী স্বৰূপ'—এই বক্তব্য সঠিক নহয়; জাতিৰ জননী অকল ভাষা জানো? জাতিৰ জন্ম হয় অৰ্থনৈতিক সামাজিক ইতিহাসৰ বিশেষ পৰ্যায়ত; ভাষা কিন্তু জাতি নহ'লেও জীয়াই থাকে। আজিৰ অসমীয়া জাতি নাথাকোতেও অসমীয়া ভাষা অন্য এক ঐতিহাসিক স্তৰত আছিল। অসমীয়া ভাষাৰ ঐতিহাসিক বৈশিষ্ট্য সমূহ বিশ্লেষণত সদায় প্ৰমাণ থকা যুক্তিহে আগবঢ়োৱা উচিত। আবেগক প্ৰবন্ধ লিখকে বিসৰ্জন দিয়া উচিত, অন্যথা সত্যৰ বিকৃতি ঘটাৰ পূৰা সম্ভাৱনা থাকে। খুটি-নাটি বিষয়ত কিছু বিসংগতি থাকিলেও শিৱনাথ বৰ্মনৰ 'দাৰ্শনিক দৃষ্টিত আধুনিক পদাৰ্থ বিজ্ঞান' পঢ়িবলগীয়া প্ৰবন্ধ; এনে প্ৰবন্ধই পাঠকৰ জ্ঞানৰ পৰিসীমা স্বাভাৱিকতে বৃদ্ধি কৰে আৰু নতুন প্ৰশ্নৰ বিষয়ে ভৱাই তোলে। শিৱনাথ বৰ্মনৰ বুৰঞ্জী প্ৰবন্ধটোও উল্লেখযোগ্য প্ৰবন্ধ। প্ৰদীপ ফুকনে ভাৰতীয় সমাজবাদৰ স্বৰূপ প্ৰবন্ধত ভাৰতীয় সমাজবাদ সম্পৰ্কে সাধাৰণভাৱে আলোচনা কৰিছে যদিও এই বিষয়টো বিশেষ জটিল আৰু প্ৰচুৰ অধ্যয়নৰ ভিত্তিতহে ইয়াৰ স্বৰূপ উদঘাটন কৰা সম্ভৱ। ফুকনৰ সমাধানৰ পথ স্বৰূপে 'প্ৰগতিকামী নব্যতেজ' আৰু 'পৰিবৰ্তন' সম্পৰ্কে ধাৰণাও স্পষ্টভাৱে প্ৰকাশ নহ'ল। নৰকুমাৰ ভট্টাচাৰ্যৰ 'ৰুচিয়াত সমাজবাদ প্ৰতিষ্ঠাত লেনিনৰ ভূমিকা' প্ৰবন্ধত লেনিনৰ চাৰিত্ৰিক ৰাজনৈতিক বৈশিষ্ট্যসমূহ উল্লেখ কৰিছে, এনে কৰিবলৈ যাওঁতে এটা কথা পাহৰি গৈছে যে লেনিন ব্যক্তি হিচাপে যিমানেই অতুলনীয় গুণৰে বিভূষিত নহওক কিয়, সোবিয়েৎ বিপ্লৱত ৰাশ্যাৰ সেই সময়ৰ সমাজবাদী দল 'বলশেভি'কৰ ভূমিকা আৰু অগণন কমৰেডৰ অবদানো সমানেই গুৰুত্বপূৰ্ণ। লেনিনতকৈও লেনিনৰ দলৰ ভূমিকাহে ইতিহাস নিৰ্মাণত অধিক গুৰুত্বপূৰ্ণ। আশুবোধ কলিতাৰ 'শ্ৰীসূৰ্য মৰনৈৰ বিননি' এটা ঐতিহাসিক অধ্যয়নৰ প্ৰচেষ্টা। ঐতিহাসিক অধ্যয়নৰ ক্ষেত্ৰত আবেগ বাদ দি যুক্তিৰ আশ্ৰয় লোৱাই উচিত। আশুবোধ কলিতাই প্ৰবন্ধটোৰ জৰিয়তে শ্ৰীসূৰ্য পাহাৰৰ ইতিহাসৰ অৱহেলিত দিশটো উদঙাই দেখুৱাইছে। যুক্তিৰে ইতিহাস চালিজাৰি চোৱাৰ চেষ্টাত ব্ৰতী হ'লে আশুবোধ কলিতাৰ দৰে ডেকাৰ মাজৰ পৰাই শ্ৰীসূৰ্য মৰনৈ নহয়, সমগ্ৰ অসমৰে অতীত ইতিহাসক নতুন ৰূপ (প্ৰকৃত ৰূপ) দিব পৰা তৰুণ ঐতিহাসিক ওলাব। অমিয় কুমাৰ মহন্তৰ 'আমাৰ বিপথগামিতাঃ এটি আত্ম সমালোচনা'ত তৰুণ সমাজৰ প্ৰকৃত বিপথগামিতাৰ কাৰণ সমূহ উদঘাটন কৰাত বিফল হ'ল। তৰুণ সমাজৰ বিপথগামিতাৰ মূল কাৰণ সামাজিক অৰ্থনৈতিক সম্পৰ্কসমূহৰ মাজত নিহিত আছে; এই সম্পৰ্কসমূহ পৰিবৰ্তিত নকৰাকৈ কেৱল তৰুণ সমাজৰ বিপথগামিতা দূৰ কৰা অসম্ভৱ; কাৰণ সমাজৰ সামগ্ৰিক অধঃপতন (Degeneration)-ৰ এটা অংশমাত্ৰ বহন কৰে তৰুণ সমাজে। তৰুণ সমাজৰ অধঃপতনৰ পৰা উদ্ধাৰ কৰাৰ যি পথ শ্ৰীমহন্তই দেখুৱালে সেয়াও সম্পূৰ্ণ যুক্তিপূৰ্ণ নহয়। সন্তীয়া বক্তৃতা ধৰ্মী। 'সন্তীয়া সংস্কৃতি', মাৰ্জিত সংস্কৃতিৰ আঁৰত আছে সামাজিক অৰ্থনৈতিক ভিত্তি, এই ভিত্তি বৰ্তমানে ওপৰত গজি উঠা সংস্কৃতি, পৰিবৰ্তন অসম্ভৱ। এই ভিত্তিটো সলনিৰ প্ৰশ্ন অধিক গুৰুত্বপূৰ্ণ। মহন্তৰ "মাৰ্ক্স'বাদ আইড'লজি গাই সমাজ বিপথে নিয়া তৰুণসকলকো আমি বিচাৰি পোৱা নাই, মাৰ্ক্স'বাদ নজনাটোহে মহন্তৰ দুৰ্বলতা বুলি আমি নিশ্চিত। মাৰ্ক্স'বাদ অধ্যয়ন কৰিলে অকল আমাৰ সমাজ কিয় সমগ্ৰ পৃথিৱীৰ বিভিন্ন দেশৰ সাংস্কৃতিক অৱক্ষয়ৰ স্বৰূপ মহন্তই বুজিব পাৰিব। ষষ্ঠদশ সংখ্যাৰ আণৱিক বিস্ফোৰণ সম্পৰ্কীয় অমূল্য চৌধুৰীৰ প্ৰবন্ধ (পাৰমাণৱিক শক্তি আৰু ভাৰত) আৰু ভবেন শইকীয়া (গল্প লিখকৰ) ৰ ভাৰতৰ আণৱিক বিস্ফোৰণৰ বিষয়ে অভিমতে দুটা

ভিন্নসুৰী মত কঢ়িয়াই আনিছে। শ্ৰীশইকীয়াই আণৱিক শক্তি সাধনাৰ অকাৰ্যকাৰিতা ভালদৰে বুজে বাবেই মন্তব্য প্ৰসংগত উল্লেখ কৰিছে ঃ “আণৱিক অস্ত্ৰ-শস্ত্ৰৰ লগত বৰ্তমান পৃথিৱীখনত এনে এক চিষ্টেম প্ৰতিস্থিত হৈছে যে কোনোবাই এটম বোমা কেইটামান তৈয়াৰ কৰি থলে একো লাভ নাই।” ........“সুদীৰ্ঘকাল উন্মাদ ব্ৰহ্মপুত্ৰৰ বানপানী দেখি, দহ-বাৰ ঘণ্টা লেট্‌চলা ৰেলত ভ্ৰমণ কৰি ইলেকট্ৰিক বাল্বতকৈ বহু বেচি গুণে মমবাতি কিনি, ৰেডিঅ'ৰ ঘৰঘৰণি শুনি, দিনটোৰ আটাইতকৈ বেচি সময় মৰি থকা টেলিফোনটোলৈ চাই থাকোতে যদি আমি আণৱিক বিস্ফোৰণত জড়িত থকা কাৰিকৰী পাৰ্গতালিৰ বাবে উৎফুল্ল হোৱাৰ সুবিধা নাপাওঁ তেন্তে আমাৰ দোষ ক'ত?” ইয়াৰ বিপৰীতে অমূল্য চৌধুৰীৰ ঃ ‘চীনৰ হাতত পৰাজয়ৰ পিচত, দুৰ্ভিক্ষ আৰু বানপানী জৰ্জৰিত আমাৰ দেশৰ ম্লান হৈ পৰা প্ৰতিচ্ছবি এই বিস্ফোৰণৰ দ্বাৰা বিশ্বৰ সমুখত আংশিকভাৱে হ'লেও যে উজ্জলহৈ পৰিছে তাক কোনে নুই কৰিব?” —এই উক্তি মন কৰিবলগীয়া। লিখকে বোমাবিস্ফোৰণত নিহিত থকা তাৎপৰ্যসমূহ গভীৰভাৱে অনুধাৱন কৰা নাই; মন্তব্য তৰাং। শইকীয়াৰ ক্ষেত্ৰত ই তৰাং নহলেও, প্ৰকৃত সত্যৰ পৰা ফালৰি কাটি গৈছে। আণৱিক শক্তিৰ শান্তিপূৰ্ণ ব্যৱহাৰ কিয় সম্ভৱ নহয় (বৰ্তমান সমাজ ব্যৱস্থাত), কাৰিকৰী দিশত ভাৰতেনো কি চমৎকাৰিত্ব দেখুৱালে, বিশ্বত কিয় এনে বিস্ফোৰণে একো গুৰুত্ব নাপায় (নেপায়) বিস্তৃতভাৱে আলোচনা কৰা প্ৰয়োজন। শইকীয়াই প্ৰশ্নোত্তৰ প্ৰসংগতে কিছুমান কথা উল্লেখ কৰি গৈছে; চৌধুৰীয়ে কিন্তু এইবোৰ প্ৰসংগ এৰাই গৈছে। বিজ্ঞান চ'ৰাত প্ৰকাশিত অন্যান্য প্ৰৱন্ধ কেইটাৰ মান উন্নত আৰু প্ৰাথমিক পৰ্যায়ৰ ৰচনা হ'লেও, পৰীক্ষামূলক সত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও এনে প্ৰৱন্ধই ভৱিষ্যত সম্ভাৱনা বহন কৰে। অন্যান্য বহু প্ৰৱন্ধ, গল্প-কবিতাৰ বিষয়ে কিছু ক'বলগীয়া কথা থাকিলেও স্থানাভাৱত কোৱা সম্ভৱ নহয়।

শেষত সম্পাদনাৰ বিষয়ে কিছু কোৱা উচিত হ'ব। সম্পাদনা এখন আলোচনীৰো নিখুঁট নহয়। সম্পাদনা বোলোতে বিষয়বস্তু নিৰ্বাচনৰ পৰা, অংগ-সজ্জালৈকে সকলো দিশ সামৰি লোৱা হৈছে। প্ৰৱন্ধ, গল্প-কবিতাৰ নিৰ্বাচনৰ ক্ষেত্ৰত সম্পাদক সকলৰ ক্ষমতা সীমাবদ্ধ, কাৰণ ছাত্ৰ-ছাত্ৰীৰ ৰচনাই মূলতঃ নিৰ্বাচন কৰিব লাগে। কিন্তু নিৰ্বাচনৰ ক্ষেত্ৰতো সম্পাদকে প্ৰয়োজনৰ লগত সম্পৰ্ক ৰাখি নতুন শিতান মুকলি কৰা আৰু পুৰণি শিতান চমু কৰা বা বাদ দিয়া উচিত। উদাহৰণ স্বৰূপে ডাঙৰ ডাঙৰ শিৰোণামা আৰু ছবিবোৰ কমাই আলোচনীৰ বিষয়বস্তু অধিক কৰিব পাৰে, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ প্ৰতিবেদন প্ৰয়োজন অনুসৰি চমু কৰি প্ৰৱন্ধ বা মূল্যবান বাতৰি প্ৰকাশ কৰিব পাৰে। সম্পাদক সকলে বাস্তৱ পটভূমিৰ ওপৰত সম্পাদকীয় লিখোতে একদিশদৰ্শী দৃষ্টিভংগী নলৈ জনগণৰ প্ৰকৃত জীৱনচিত্ৰ তুলি ধৰিব পাৰে। কিন্তু এয়া মাত্ৰ আশাহে কৰিব পাৰি—নতুন এৰিয়ানসকলৰ পৰা। হয়তো ভৱিষ্যতে এৰিয়ানক সৰ্বাংগ সুন্দৰ কলেজ আলোচনী ৰূপে আমি পাম।

● ● ●

# নতুন কেকুৰি

অধ্যাপক নলিনী ধৰ ভট্টাচাৰ্য্য

তোমাৰ ভূগোলৰ একা-বেঁকা ৰেখাবোৰে
এদিন আমাৰ যৌৱন জগাইছিল,
তোমাক, তোমাৰ কেঁচা মাটিক, আই
য'তে থাকোঁ নেপাহৰোঁ ;

সময়ৰ কেকুৰিবোৰ পাৰ হৈ আহি, এতিয়া
কি দেখিছা আই ? এয়া, হেমন্তৰ
ঘন কুঁৱলীত টিপচাকিবোৰ নুমায়
ৰাতি খিৰিকীয়েদি সোমাই অহা
জঁকা-কামিহাড়ৰ এন্ধাৰত
দুখে সাৰ পায়,

সিহঁতেই কেৱল হাঁহিব পাৰে আই
যি কাহানিও দুখৰ কপিলী বৈ যোৱাৰ
ভীষণ বাতৰি পঢ়া নাই,

ছঁয়া-ময়াকৈ বগাই ফুৰা চিকাৰী এন্দুৰবোৰে
হাঁহি হাঁহি
তোমাৰ সেউজৰ শিয়া কুটে ; চোকা চোকা নখেৰে
সৃষ্টিৰ বসন্ত নাশে ;

হুমুনিয়াৰে গধূৰ বতাহ জাকত মাৰ যায়
সকলো ফুলৰ হাঁহি
বাকী থাকে মাথোন, আই, তোমাৰ শুকান স্তনত
অযুত শিশুৰ উচুপনি,
কবৰৰ এই গান শুনিও
তুমি মৰহি যোৱা নাই, আই
তুমি আছা, তোমাৰ কেচামাটিত
অযুত শিশুৰ ঘামৰ গোন্ধ আছে
তুমিতো বিশাল সমুদ্ৰ আই
তোমাৰ বুকুত আমি একেলগে সাঁতুৰিম ;
টিপ চাকি জ্বলিব
চিকাৰীবোৰৰ মাংসল পেশীৰ ওপৰত
অষ্টভুজৰ দা জিলিকিব,
তাৰ তিৰবিৰণিত আমি আকৌ এটা
নতুন কেকুৰি গঢ়িম,
তাত তুমি তুলিবা ফুলাই সৃষ্টিৰ বসন্ত
আৰু
যিমান দূৰলৈকে পাৰা বিলাই দিবা
তাৰ উষ্ণতা
তোমাক, তোমাৰ কেচামাটিক, আই
য'তে থাকোঁ নেপাহৰোঁ ।

# ভল্গাৰ পৰা তিস্তালৈ

মেহ্‌দী আলম বৰা
২য় বাৰ্ষিক, প্ৰাঃ বিঃ ( কলা )

এনেকৈয়ে যেতিয়া নগৰবোৰ জ্বলি গৈছিল
আমি কিৰিলি পাৰি হাঁহিছিলোঁ ।
সিহঁতে যেতিয়া লেকাম পিন্ধিছিল
আমি টানি ধৰিছিলোঁ—- ।
আমি হয়তো তেতিয়া
        তৰাই নাইবা তিস্তাৰ তীৰত
            গান গোৱা নাছিলোঁ ।
হাঙ্গেৰীৰ কোনোবা সেউজীয়া পথাৰত
শুকান যৌৱনৰ গাভৰু হৈ নাচিছিলোঁ ;
হয়তো কোনো আত্মগোপন
        কচাক খেতিয়কৰ চকুৰ পতাত
            ভদকাৰ নিচা হৈ উমলিছিলোঁ ।

●●



# দুটি কৱিতা

মনোৰমা চাংমা
২য় বাৰ্ষিক স্নাতক ( বিজ্ঞান )

( ১ )

দুহাতত তেজৰ চেকা,
চকুত অগ্নিশিখা,
মোৰ দেশৰ মাটি ঃ
তাতেই লিখি যাম
মোৰ জীৱনৰ ইতিহাস ।

( ২ )

আইতাৰ জুহালৰ কথা,
সন্মুখত মানুহৰ জংকা,
মোৰ মানস পটত
উভয়ৰে যুদ্ধৰ চকা-মকা ।

●●

# "সোণজিৰা মাহীৰ খবৰ"

(কেশৱ মহন্তৰ 'সোণজিৰা মাহীৰ নাড়ী' কবিতাটি পঢ়ি)

ৰঞ্জিত কুমাৰ দাস
২য় বাৰ্ষিক প্ৰাঃ বিঃ (বিজ্ঞান)

বহুদিন হ'ল, খবৰ পোৱা নাই একো সোণজিৰা মাহীৰ
কেশৱ দদাইটিয়েও দেখোন মাহীৰ খবৰকে নিদিয়া হ'ল
মাহীয়েও আজিকালি জিলালৈকে নাহে
নহ'লে হয়তো পালোঁহি লগ
সেয়েহে সেইদিনা ওলাইছিলোঁ গাৱঁলৈ বুলি
জানোচা লগ পাই যাওঁ লচ্‌পচী সোণজিৰা মাহীক।
গাওঁলৈ যোৱা নাছিলোঁ বহুদিন
সেয়ে গাওঁৰ বাটবোৰো হ'ল খেলি-মেলি
গাওঁখনৰো হ'ল বহু সলনি
ঘৰ হ'ল বহু—টিন আৰু পকী
পিছে দেওখনকাই আৰু মনবৰ দাইটিহঁতৰহে
অৱস্থা আগতকৈ পৰিল পৰালি।
এইদৰে আহি আহি
বাটতেই লগ পালোঁ সোণজিৰামাহীক।
মাহীয়ে প্ৰথমতে চিনিকে নেপাইছিল
বহুপৰ পিচতহে, "বোপা, আজি কেনেকৈ বাট চিনি পালি
বহুদিন যোৱা নাই জিলালৈ বুলি
তোমালোকেওটো মাহীয়েৰাক বিচাৰি
আৰু নাহা গাওঁলৈ বুলি
কেশৱ বোপাটিৰ ভালনে ? আৰু বোৱাৰীজনীৰ ?
পোনাহঁতে হয়তো চিনিকে নেপাব, এইজনী কব
সোলিবুঢ়ী ?"


মাহী এতিয়া ভালকৈ বুঢ়ী
আগৰ কলাডিলীয়া খোপাৰ মূৰটোত
এসোপা শুকুলা চুলি
পুৰুষৰ মন গলে বুলি ক'লা কৰা দাঁত আটাইবোৰ সৰিল
পিন্ধনটো আধাফটা কপাহী মেখেলা
মূৰত এডোখৰ গামোচাৰ পাৰী।
মাহীৰ মূৰত দেখো সেন্দুৰকণো নাই।
লাহেকৈ সুধিলোঁ, "মাহী, মহাদেউ ঢুকাল কাহানি ?"
বেথাঢাকি কথা কোৱা মাহীজনী
যোকাথুকি মাতেৰে ক'লে বহু কথা :
মহাদেৱে হেনো গ্ৰহণীত ঢুকাল যোৱাবেলি
পইচাৰ অভাৱত চিকিৎসাকে কৰিব নোৱাৰিলে মাহীয়ে
দেউকনটোৱে এতিয়াও মহাজনৰ ঘৰতে হালোৱা খাটি
আছে

সোণে হ'লে আই,এ, টো কৰিলে পাছ যোৱাবেলি
পিছে আজিলৈকে দেখো একো এটা নহ'ল চাকৰি
মাহীৰ হেনো আজিকালি সোণৰ চকুলৈ ভয় লাগে চাবলৈ
সোণৰ চকুত বোলে কিহবাৰ জুঁই।
মাহীৰ মনত বৰ ভয়
যোৱাবেলিয়ে শুনিছিল নগাওঁৰ কৰবাত 'গজেন পুতুল'
নামৰ
ফুকলীয়া ল'ৰা দুটি ৰণত পৰা
"আই ঐ দেহি, সিহঁতৰ মাকহঁতেৰা কেনেকৈ সহিছে !"
সেয়ে মাহীৰ মনত বৰ ভয়
জানোচা সোণেও ৰণলৈকে যায়
পিছে সোণৰ কথা শুনিহে মাহী থৰ লাগি যায়
সৰু ল'ৰাৰ মুখত বৰ কথা শুনিলেনো
কাৰ বাৰু নেলাগে ভয় ?
"তহঁত পঢ়া-শুনা কৰা ল'ৰা,
তহঁতে কৰিবিনে ভুল। য'তে আছ তহঁত, আমিও ত'তে।"
তথাপিতো শেষত মাতৃৰ অলেখ চেনেহ ঢালি
লাহেকৈ কব,
"সোণ, তই হ'লে ৰণত আগহে নেযাবি দেই।"
মাহীজনী সচাঁকৈয়ে মাতৃ
সেয়ে অচিনাকি লুমুম্বাৰ মৃত পোনাটিৰ বাবেও
মাহীয়ে হিয়া উদিয়াই কান্দিব পাৰে
নিজৰ বেথা ঢাকি।
মোৰ মূৰ শ্ৰদ্ধাত দো খাই যায়
সেইজনী চিৰ সেউজী সোণজিৰা মাহী। ● ●

# পদক্ষেপ

অশোক থাৰঘৰীয়া
২য় বাৰ্ষিক স্নাতক ( বিজ্ঞান )

শতাব্দীৰ ক'লা ধোঁৱাবোৰে
মোক চোঁচৰাই আনিছিল
নিখোজ হৈ পৰা
মৰিশালীবোৰৰ ওপৰেৰে।
নৰাণিৰ মাজত বন্ধুবোৰে মোৰ
বাট চাই আছে
যুদ্ধ দিনৰ ঘোষণাৰ বাবে
( মই পাৰ হৈ অহা ইটা আলিটোৰে
মোৰ বন্ধুবোৰে কঢ়িয়াই নিছে
মেটমৰা ধানৰ ডাঙৰি )
চিমনিৰে ওলাই যোৱা
ক'লা ধোঁৱা বোৰে
আগতকৈ বেছি লেতেৰা কৰিছিল
সিহঁতৰ চোলা আৰু চালবোৰ,
তেজৰঙা বেলিটো
নামি আহিছিল
চিমনিৰ ভিতৰেৰে চোঁচৰি।
কলা ধোঁৱাবোৰে এতিয়া দ্বিগুণ গতিৰে
দৌৰিবলৈ চেষ্টা কৰিছে
মৰিশালীবোৰৰ ওপৰেৰে।
( মই পাৰ হৈ অহা আলিটোৰে
আহি আছিল মোৰ বন্ধুবোৰ
গাৰ কাপোৰ জোকাৰি জোকাৰি )
নৰাণিত জ্বলিছে এতিয়া
একুৰা জুই
বৌ-বৌৱাই আন্ধাৰৰ মাজত।



# হেমন্তৰ স্তবক

অধ্যাপক দুৰ্গেশ্বৰ শৰ্মা

১

ধোঁৱাত বুৰ গ'ল হেমন্তৰ পাহাৰ
চুটি চুটি শীতৰ ৰেখাই
আগুৰিলে শোৱনি ঘৰ।

২

হেমন্ত মোৰ প্ৰাণৰো প্ৰাণ
দশোদিশে ওলমি আছে
হৰিত্ আৰু সৌৰভৰ সমাহাৰ।

৩

হেমন্ত বৰ উৰ্বৰ ঋতু
সুহুৰি শুনিলেই সেউজীয়া ধানে
খুলি দিয়ে তাইৰ বুকু।

৪

হেমন্ত চাওতাল গাভৰু দীঘল চুলি মেলি
ঘূৰি ফুৰে -পথাৰে-সামৰে উলংগ দেহেৰে।

# এটি কবিতা

প্ৰণৱ কুমাৰ মেধি
প্ৰাক্ বিশ্ববিদ্যালয় ( প্ৰথম বাৰ্ষিক ) বিজ্ঞান শাখা

শিথিল—।
শিথিল হৈ পৰিছে আজি গোটেই দেশ
কালৰ দুৰ্দ্ধৰ্ষ এক
বিষাল প্লাৱনত,
য'ত মিহলি হৈ আছে
কালনাগৰ বিষ প্ৰলেপন—
কি বিষাল সৰ্প—,
হায় ! দংশনত আজি
সকলো অচেতন,
হায়, কি বিষাদময় !
হে মেজি—
জ্বলি উঠা, জ্বলি উঠা দপ্‌দপকৈ—
জ্বলি উঠি পুৰি দিয়া
এই বিষাল সৰ্প—
জাগ্ৰত হ'ক আজিৰ এই
শিথিল মানৱ ।



# সূৰ্য্যোদয়

খনীন্দ্ৰ নাথ
১ম বাৰ্ষিক প্ৰাঃ বিঃ ( বিজ্ঞান )

সৃষ্টিৰ আদিৰে পৰা হালৰ মুঠিত ধৰি অহা
সিহঁত একোটোপাল পৰিশ্ৰমৰ ঘাম।
সিহঁতৰ বজ্ৰমুঠিত ভাঙি গড়াৰ উল্কাপিণ্ড।
দুস্কৃতিৰ সৃষ্ট সমাজৰ কাঢ়ি খোৱা মহজাক!
এন্ধাৰ আৰু কিমান বিলাবা ?.........
পিতৃপুৰুষৰ মামৰে ধৰা হালৰ ফালত
একুৰা জুই জ্বলিব।
শভিকাজুৰি প্ৰশ্নবোধক চিন হৈ অহা
সিহঁতৰ দৈন্যক
আৰু কিমান ফাকি দিবা ?
উত্তৰ পুৰুষ সাজু হৈছে
এটি নতুন সূৰ্য্যোদয়ৰ বাবে।

# প্ৰাচীৰ

শশীন্দ্ৰ চন্দ্ৰ শৰ্ম্মা
৫ম বাৰ্ষিক এম, এছ, ছি

অন্ধকাৰ ফুটপাথত
মই এটি জৰাজীৰ্ণ কঙ্কাল
সুস্থ মানৱতাৰ
ব্যঙ্গ ৰূপ।


●

কাণৰ পৰ্দা কম্পিত হৈছিল
সন্মুখৰ তিনিমহলীয়া
কোনো এক কোঠাৰ
বেৰ ভেদ কৰি অহা
পশ্চিমীয়া গীতৰ সুৰত—।

●

তেজৰ গতি ক্ষীপ্ৰৰ পৰা
ক্ষীপ্ৰতৰ হৈছিল
মই কঁপিছিলোঁ—
ভয়ত! খঙত!! অনুশোচনাত!!!
মোৰ হাঁহিবোৰ
প্ৰতিধ্বনিত হৈছিল
হাঃ হাঃ হাঃ
এয়ে জীৱন???

● ●



# এটি কবিতা

উৎপল কুমাৰ দাস
২য় (বাৰ্ষিক) প্ৰাঃ বিঃ বিজ্ঞান

জুহালৰ কাষত
আইতাৰ কোলাত উঠি,
অস্তমিত জুইকুৰালৈ চাই
মই সুধিলো :
"আইতা! জুইকুৰা নুমাল কিয়?"
অশ্ৰুসজল চকুৰে, অনামী বেদনাৰে
আইতাই উত্তৰ দিলে—
"বোপা!
কলিজাৰ দীপ্ত তেজৰ
ইন্ধন দিয়া;
পুনৰ জ্বলিব।

● ●



# ক্যাপ্‌টিভিটি

নিষাদ কুমাৰ ডেকা
১ম বাৰ্ষিক প্ৰাঃ বিঃ ( বিজ্ঞান )

এৰিলো কাহানিবাই সুনীল সাগৰ
বন্দী মই—
কাৰোবাৰ একুৰিয়ামত,
............কাৰ....... .... ?
বাদামী চকুৰ আইলেন্সত—
মোৰ ৰূপালী দেহৰ প্ৰতিবিম্ব ।

# নতুন দিগন্ত

নীৰেন চন্দ্ৰ হাজৰিকা
২য় বাৰ্ষিক স্নাতক ( বিজ্ঞান )

জুই ধোঁৱা আৰু
চাইৰ মাজত—
জন্ম কাৰ ?—মোৰ,
মোৰ জন্ম শতাব্দীত
জ্ঞান গলি গলি,
সোণ হৈ জ্বলিছিল
আৰু—
ভগ্ন এক জুপুৰীৰ
আন্ধাৰৰ মাজৰ
ঢোকা বেৰৰ আঁৰে আঁৰে
কোনো এক শিশুৱে মাতৃৰ কোমল কোলাত
ফেকুৰিছিল—জন্ম কাৰ ? মোৰ ।
জুই ধোঁৱা আৰু চাইৰ মাজত
গহ্বৰত—;
শতিকাত উজাই অহা সোনোৱালী পোনাবোৰ
ডিনামাইটৰ প্ৰচণ্ড শব্দত
জাহ গৈছিল—
ক্ষণে ক্ষণে প্ৰশ্ন—জন্ম কাৰ ? মোৰ ।
মোৰ জন্ম শতাব্দীত
কলঙ্কৰ ক'লা দাগেৰে চিহ্নিত সেই "চন্দ্ৰটো"
চাৰখাৰ হৈ গৈছিল
আৰু
প্ৰতিহিংসাৰ প্ৰতীকেৰে
মোৰ দুৰ্ব্বল সত্তাটোৱে
জুই ধোঁৱা আৰু চাইৰ মাজত হাঁহিছিল ।

* * *

ভয়ত, শঙ্কাত
শিশুটোৱে
মাতৃৰ বুকুৰ উমত টোপনী গৈছিল ।



# উপলব্ধি


দীপালী দাস
১ম বাৰ্ষিক প্ৰাঃ বিঃ ( কলা )

সিহঁতৰ হাঁহিবোৰ ইমান কদৰ্য্য হ'ল কেনেকৈ ?
এইয়াতো হাঁহি নহয় !
প্ৰশ্ন কৰো,—তোমালোকৰ হাঁহিবোৰ সচানে ?
সিহঁতে
অশ্ৰুৰে লিখে জীৱনৰ বুৰঞ্জী ।
সিহঁতৰ
যুদ্ধ, ! নিষ্ঠুৰতাৰ বিৰুদ্ধে—
—জীয়াই থকাৰ যুদ্ধ—
যৌবনৰ মুক্ত বিকাশ
জীৱন ইমান কুৎসিৎ
হ'ব পাৰে কেনেকৈ ?
সিহঁতৰ কণ্ঠস্বৰ—
যন্ত্ৰৰ ঘৰ্ঘৰ শব্দৰ লগত
মিলি যায়—
কোনেও নুশুনে সিহঁতৰ
চিঞৰ ।
কেৱল
পৰাজয়ৰ গ্লানিৰ পৰিবেষ্টিত
সিহঁতৰ জীৱন । ● ●

# হে সূৰ্য, তুমি মৃত্যুমান

অধ্যাপক উমেশ চন্দ্ৰ চক্ৰবৰ্ত্তী

হে সূৰ্য, সত্য তুমি নহয় এই কথা মই জানোঁ ।
তথাপি তোমাক মই জনাওঁ নমস্কাৰ ।
গৰ্ভত লুকাই ৰাখি স্তূপীকৃত অন্ধকাৰ ৰাশি
বাহিৰত মেলি দিছা পোহৰৰ বিস্তীৰ্ণ ভাণ্ডাৰ ।
ৰূপ-ৰস গন্ধ ঢালি বিচিত্ৰ বৰ্ণেৰে, তুমি দিবাকৰ,
ঘোষিছা জগৎজুৰি নিজৰ গৰিমা ।
তথাপিও মই জানো তুমিয়ে কৰিছা সৃষ্টি
পশুত্বৰ মুক্ত লীলা ভৰা ৰজনীৰ কৰাল কালিমা ।
সময়ৰ তাড়ণাত আজি
যদিও ঘূৰিছো আমি চৌপাশে তোমাৰ,
তুমিও উঠিবা বুজি তোমাৰ এই
স্থিতিশীলতাৰ ক্ষণিকতা ।
মহাকালে চোৱা সেয়া অট্টহাস্য কৰি
পৃথিবীৰ ক্ষুদ্ৰ মানুহক দিছে স্বাধীনতা :—
তোমাৰ মৃত্যুৰ দিন ঘোষণা কৰাৰ পূৰ্ণ অধিকাৰ ।
তুচ্ছ মই মাটিৰ মানুহ
হয়তো তোমাৰ আগেয়ে মোৰ মৃত্যু হ'ব ;
মৃত্যুৰ পিচত মোৰ সুকৃতিয়ে
আৰু মোৰ বিচ্যুত আত্মাই
তোমাক কেন্দ্ৰত এৰি উৰি গুচি যাব ;
হয়তোবা পৰলোক, হয়তোবা অমৰত্ব পাব ।
কিন্তু হে আত্মাহীন পৰম দেৱতা,
তোমাৰ মৃত্যুত আৰু একো নেথাকিব,
নষ্ট হ'ব ভাস্কৰ সৌন্দৰ্য্য,
লুপ্ত হ'ব এই অহঙ্কাৰ,
মিছা এই বিপুল সৃষ্টিবো হ'ব সমাপতি,
ধ্বংসই তোমাৰ হ'ব শেষ পৰিণতি ;
আমাক চকাত ঘূৰোৱাৰ পৰিণতি । ● ●




অবনী কান্ত মিশ্র

প্ৰথম বাৰ্ষিক বিজ্ঞান


বুলেটিনখনত প্ৰকাশ হোৱাৰ লগে লগেই যেন ন্যাশভিলত এটা উত্তেজনাই গুমগুমনি তুলিলে। বিতৰ্কিত সেই খবৰটোৱে যেন সাধাৰণ চহৰ ন্যাশভিলক বিশ্ব বিজ্ঞানৰ ক্ৰমবিবৰ্ত্তনৰ অধ্যায়ত এক নতুন পটভূমিৰে অসাধাৰণ কৰি তুলিলে। পৃথিবীৰ মানচিত্ৰত ন্যাশভিলে সুকিয়া ঠাই দখল কৰিলে।

ন্যাশভিলৰ সুবিখ্যাত জ্যাক্সন মেডিকো নাৰ্ছিং হোমৰ পৰা প্ৰকাশিত হৈছিল সেই ঐতিহাসিক বুলেটিনখন।

'............মানুহৰ আয়বিক্ আৰু মানসিক চৰিত্ৰ সমূহৰ বাবে যি কিছুমান 'একক' বা 'ফেক্টৰ'ক দায়ী কৰা যায় বিজ্ঞানৰ ভাষাত সেইবোৰৰ নাম 'জীন'। .........মানুহৰ চৰিত্ৰ দোষ-গুণৰ সংমিশ্ৰণ হোৱা হেতুকে সেইবোৰ বহনকাৰী ফেক্টৰসমূহ বিশ্লেষণীয় দুই প্ৰকাৰৰ ভিন্ন উপাদানেৰে গঠিত। ইয়াৰ বিষয়ে বিশেষ ব্যাখ্যা অনাৱশ্যকীয় কাৰণ এইবোৰ সপ্তদশ শতিকাৰ পূৰ্ব্ববৰ্ত্তী বিজ্ঞানী সকলৰ জনপ্ৰিয় বিবৃতি। .........আমি ভাবো এই দিনটো বিশ্ববাসীৰ চিৰস্মৰণীয় দিন, কিয়নো চাৰিত্ৰিক বৈশিষ্টসমূহ বহনকাৰী ফেক্টৰসমূহত যি দুই প্ৰকাৰৰ বিশ্লেষণীয় উপাদান আছে তাৰ কেবল 'শুদ্ধভাগ' (positive component), শুক্ৰাণুত কৃত্ৰিমভাবে প্ৰবেশ

ঘটুৱাই এক অতি মানৱৰ সৃষ্টি কৰা হৈছে। আমি আশা কৰো বিশ্ববাসীৰ দৃষ্টি-ভঙ্গী স্থিৰ আৰু শুভ হওক। 'ভগৱান' (গ'ড), যি এক ব্যয়বহুল প্ৰকল্প তাৰ অস্তিত্বৰ বিশ্বাস যুক্তি সঙ্গত হওক। ..... সদৌ শেষত যুগান্তকাৰী এই সৃষ্টিৰ বাবে ৪৫ বছৰীয়া প্ৰৌঢ় ডঃ চেণ্ট পিটাৰ লুইৰ ওচৰত আমি জগতবাসী চিৰ ঋণী আৰু কৃতজ্ঞ থাকিলো।

এই ঘটনাই যেন আকস্মিক ভাবে পিটাৰ লুইক প্ৰতিষ্ঠিত কৰি তুলিলে জগতৰ সমুখত। প্ৰতিটো শব্দই কঢ়িয়াই অনা বিপুল যশস্যা আৰু সম্বৰ্দ্ধনাক নিৰ্বিকাৰ ভাবে সহজ কৰি লবলৈ গৈ পিটাৰ বাবে বাবে ব্যতিব্যস্ত হৈ পৰিছিল বিশিষ্ট বাতৰি প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধি বৰ্গৰ প্ৰশ্নত, টি, ভি, প্ৰ'গ্ৰেমত আৰু আন্তৰ্জাতিক বিজ্ঞান সন্মিলনৰ দৰবাৰত। তথাপি এটা সুকীয়া আনন্দই পিটাৰৰ মন ভৰাই তুলিছিল সিদিনা — আজিৰ পৰা প্ৰায় পশিচ বছৰৰ আগতে।

আৰু আজি, এই মুহূৰ্ত্তত পিটাৰে অনুভৱ কৰিলে, তেওঁ যেন বৰ দুৰ্ব্বল হৈ পৰিছে। নিজকে অসহায়ৰ দৰে চোফা এখনত এৰি দি তেওঁ জীৱনত প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিলে—কৰোবাত যেন এটা ভুলহৈ গ'ল। পশিচ বছৰ আগতে তেওঁ যি মাৰাত্মক ভুলৰ সূচনা কৰিছিল তাক বুজি উঠাত পিটাৰৰ যথেষ্ঠ পলম হৈ গ'ল। এতিয়া আৰু উপায় নাই। সুদীৰ্ঘ পশিচটা বছৰৰ যশঃ যেন এই মুহূৰ্ত্তত গ্লানিলৈ ৰূপান্তৰিত হৈ তেওঁক জুকিয়াই ধৰিছে আৰু তেওঁ উপায়হীনৰ দৰে নিশ্চল, নিশ্চ্‌প হৈ বহি পৰিছে। গৱেষণাগাৰৰ প্ৰতিটো সৰ্ব্বাধুনীক যন্ত্ৰপাতিয়ে, প্ৰতিখন উইণ্ডস্ক্ৰীনে, প্ৰতিটো শ্বেল্‌ফে যেন তেওঁক উপহাস কৰিছে, তেওঁৰ গ্লানীৰ কথা জগতৰ সমুখত উদঙাই দিছে। পিটাৰৰ অসহ্য লাগিল। ন্যাশ্‌ভিলৰ কুখ্যাত কাৰাগাৰৰ কয়েদিবিলাকৰ দৰেই তেওঁ অসহায়ত বিবৰ্ণ হৈ পৰিল। 'পাৰ্‌ফৰ্মেঞ্চ গ্লাচ'ৰ ওপৰত যিবিলাক অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ 'জীন'ৰ সূক্ষ্ম গঠন, অৱস্থিতি আকৃতি আৰু গতি লক্ষ কৰি জীৱনৰ মূল্যবান বহুলাংশ সময় অতিবাহিত কৰিছিল্ল সেইবোৰ যেন প্ৰতিটোৱেই একোটা 'সংক্ৰামক' ভাইৰাচৰ ৰূপ লৈ প্ৰতিটো নিশ্বাসতে দেহৰ ভিতৰলৈ গৈ তেওঁৰ চিন্তাত যতি আনিছে, মগজু বিকল কৰি পেলাইছে।

তেওঁ অস্থিৰ ভাবে চোফাখনৰ পৰা উঠিল আৰু কৰিদোৰটোত বিভ্ৰান্ত গতিৰে ঘূৰি ফুৰিবলৈ ধৰিলে। কোনো এটা নতুন খবৰ শুনাৰ ধৈৰ্য্য আৰু মানসিক অৱস্থা, কোনোটোৱেই পিটাৰৰ তেতিয়া নাছিল। তথাপি তেওঁৰ অবচেতন মনে বিচাৰিছিল পৃথিৱীখন তেওঁৰ বাবে আগৰ দৰে মুক্ত আৰু মহান হওক। তেওঁ মনৰ মাজতে কেবাবাৰো আওৰালে—'জ্যাক্‌সনৰ শুভ হওক।'

জ্যাক্‌সন, এৰা পৃথিৱীৰ সকলো নৰ নাৰীৰ উৎকণ্ঠা, উত্তেজনা, আচৰ্য্য আৰু বিস্ময়কৰ এটা নাম। যাৰ ভাব ভঙ্গি, আচৰণৰ প্ৰতিটোৱে ধৰি ৰখা হৈছে বিজ্ঞান পত্ৰিকা সমূহৰ পিঠিত। যাৰ প্ৰতিটো ভাব পৰিবৰ্ত্তনৰ বিশ্লেষণে সুধী সমাজৰ চিন্তা জগত গধূৰ কৰি তুলিছে, সেই বহু কথিত নাম এই জ্যাক্‌সন। পিটাৰৰ মানস পুত্ৰ, তেওঁৰ মৰমৰ নাৰ্চিংহোমৰ নামেৰে নামাকৰণ কৰা এটা নাম। 'জীন' ৰ প্ৰতিটো শুদ্ধ উপাদানৰ সংযোজন আৰু সংমিশ্ৰনৰ ফলত পৰীক্ষা নলীৰ গৰ্ভত উৎপাদিত, পৃথিৱীৰ প্ৰথম আৰু এক মাত্ৰ 'চুপাৰমেন', অতি মানৱ। আকৃতি আৰু প্ৰকৃতিগত ভাবে মানৱ শিশুৰ দৰে হলেও, কিছুমান চাৰিত্ৰিক বৈশিষ্ট্যই ইয়াক উন্নিত কৰিছিল মানৱৰ শাৰীৰ পৰা অতি মানৱলৈ। বয়সৰ লগে লগে শিশু জ্যাক্‌সন ২৫ বছৰীয়া ডেকা হৈ উঠিল। লগে লগে তাৰ অন্তৰ্নিহিত সকলোবোৰ শক্তিয়েই যেন কাৰ্য্যক্ষমতাৰ শীৰ্ষাঙ্কত উপনীত হ'ল।

আৰু বিগত এই পশিচ বছৰে বৃদ্ধ লুয়ে প্ৰতিটো মুহূৰ্ত্তত এই শক্তি সমূহৰ জাগৰণ, আৰু পৰিবৰ্ত্তন লক্ষ কৰি কৰি শেষ সময়ত যেন সম্পূৰ্ণ হতাশ হৈ পৰিছে।

পিটাৰৰ অসহ্য লাগিল, তেওঁ আৰু তেনে দৰে বেছি সময় থাকিব নোৱাৰিলে। কৰিদ'ৰটোৰ নাতিদূৰত অবস্থিত নাৰ্চিংহোমৰ বাৰান্দাৰে অস্থিৰ খোজ কিছুমান পেলাই এটা সময়ত তেওঁ বৈ গ'ল। ২৫ নম্বৰ ৰুম। ৰুমটোৰ ভিতৰত অস্থিৰ পদধ্বনী। পিটাৰে দৰ্জাখন খোলাৰ আগতে নিজৰ মনটোক তেওঁ এবাৰ জোকাৰি ললে।

হঠাতে কোঠাটোক এটা কৰুণ মৌনতাই যেন আবৰি পেলাইছে। সমূখৰ শুভ্ৰ বিছনাখনত তেওঁৰ মৰমৰ জ্যাক্সন। মূৰৰ ওপৰৰ প্লেটখনৰ আখৰ কেইটাত তেওঁ চক খাই পৰিল। 'কম্‌প্লিট ৰেষ্ট'। পিটাৰে নিশব্দে চকু ঘূৰাই আনিছে। ইতিমধ্যে বাকীবোৰ চিকিৎসক কোঠাটোৰ পৰা ওলাই গৈছিল কেৱল তেওঁৰ সোকাষৰ চকিখনত অলস ভাবে বহি আছিল বিশিষ্ট মনস্তাত্বিক চিকিৎসাবীদ ডাঃ ব্ৰুক। পিটাৰে কিবা এটা সুধিব খোজাৰ আগেয়ে ব্ৰুকে ইঙ্গিতেৰে তেওঁক বাধা দিলে আৰু বাহিৰলৈ ওলাই আহি তেওঁ কলে—"লেট হিম হেভ এ কম্‌প্লিট ৰেষ্ট"—আহক বাহিৰতে কথা পাতো।

ইয়াৰ পিচতো বেছ কিছুদিন পাৰ হৈ গ'ল। এই বোৰ দিনত পিটাৰ আৰু ব্ৰুকক প্ৰায়েই নাৰ্চিংহোমৰ চৌহদৰ নিৰ্জন বেঞ্চবোৰত, নিম্‌কেচি জোপোহাবোৰৰ কাষত, পদ পথৰ দাঁতিত, লেবোৰেটৰীৰ চোফাত দেখা গৈছিল। তেওঁলোক উভয়ে বহুতো কথাই আলোচনা হৈছে। আৰু এনেবোৰ আলোচনাৰ সুকঙাৰে ডাঃ ব্ৰুকে পাকে প্ৰকাৰে বুজাই দিবলৈ চেষ্টা কৰিছে যে এটা ভীষণ ভুল হৈছে, যিটো ভুলৰ কাৰণেই আজি জ্যাক্সন মানসিক ভাৰসাম্যতাৰ পৰা চ্যুত হৈছে। ৭০ বছৰীয়া বৃদ্ধ পিটাৰ ক্ৰমে ক্ৰমে ভাঙি পৰিছে কাৰণ তেওঁৰ সুদীৰ্ঘ জীৱনৰ প্ৰতিটো শেহতীয়া অভিজ্ঞতা আৰু সিদ্ধান্ত আজি ভুলৰ ওপৰত প্ৰতিষ্ঠিত বুলি প্ৰমাণিত হৈছে। ব্ৰুকৰ কিছুমান বৃথা শান্তনাৰ মাজেৰে পিটাৰে প্ৰাণপণে যত্ন কৰিছে নিজকে ঘূৰাই পাবলৈ কিন্তু পিছ মুহূৰ্ত্ততে হতাশ হৈ পৰিছে যেতিয়াই তেওঁ উপলব্ধি কৰিছে তেওঁ এটা ভীষণ ভুল কৰিছে।

এনা ভুল পিটাৰেই কৰিছিল। অবিশ্বাস্য হলেও সত্য আছিল। জ্যাক্সনক পিটাৰেই সৃষ্টি কৰিছিল আৰু সেই মৰ্মে তাৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব সম্পূৰ্ণৰূপে তেওঁ নিজৰ জিম্মাত ৰাখিছিল, এক কথাত জ্যাক্সন আছিল পিটাৰৰ গবেষণাৰ এক নিৰ্ভুল আৰু সপ্ৰাণ উপলক্ষ্য। বোধহয় পিটাৰৰ ভুলো হৈছিল সেইখিনিতেই। পৰীক্ষানলীত জীৱন প্ৰাপ্ত হলেও জ্যাক্সন গবেষণাত বহুল ব্যৱহৃত এচিড্ আৰু বিকাৰৰ দৰে নিৰ্জীৱ আৰু জড় নাছিল তাৰ সলনি তাৰ আছিল এটা শক্তিমান মানবীয় সত্তা যাৰ অস্তিত্বক পিটাৰে বিগত পশিচ বছৰত কোনো এটা মুহূৰ্ত্তৰ বাবেও উপলব্ধি কৰা নাই।

বিগত দিনবোৰ ঠিকেই পাৰ হৈ গৈছিল; কিন্তু পিটাৰৰ মনত যেন প্ৰতিটো দিনেই বৈচিত্ৰেৰে ভৰপূৰ, কিছুমান উৎসাহ দীপ্ত ক্ষণৰ সমষ্টি আছিল কিয়নো এনেবোৰ দিনে কঢ়িয়াই আনিছিল ন ন চিন্তা ন ন জিজ্ঞাসা। আনহাতে সাধাৰণ মানব শিশুৰ দৰে জ্যাক্সনে এইবোৰ দিন সদ্যস্ফূৰ্ত পুষ্পৰ দৰে নিষ্পাপ আনন্দেৰে পাৰ কৰিছিল। শিশু সুলভ সকলোবোৰ ভাবভঙ্গি আৰু দুৰ্ব্বোধ্য কাকলি মুখৰ কৰা জ্যাক্সনৰ সহজ শৈশৱ পিটাৰৰ চকুত বিশেষ আৰু অৰ্থপূৰ্ণ হৈ ধৰা দিলে আৰু পিটাৰ এইবোৰৰ বৈজ্ঞানিক বিশ্লেষণৰ বাবে উঠি-পৰি লাগিল।

শিশু জ্যাক্সন অত্যন্ত, যত্ন, সাৱধানতা আৰু পৰি-

চার্য্যৰ মাজত কৈশোৰত ভৰি দিলে আৰু লগে লগে পিটাৰে গোটেই ঘৰখনকেই এটা বিশেষ পৰীক্ষাগাৰলৈ পৰিবৰ্ত্তিত কৰিলে। ক্ৰমে ক্ৰমে জ্যাক্‌সন বহিঃ জগতৰ পৰা বিচ্ছিন্ন হৈ পৰীক্ষাগানৰ ভিতৰলৈ সোমাই পৰিল। ইতিমধ্যে তাৰ শাৰীৰিক গঠন, উচ্চতা, বৰ্দ্ধন, স্মৃতি আৰু দৃষ্টি শক্তিৰ প্ৰখৰতাৰ মাজেৰে কিছুমান মানবীয় চৰিত্ৰৰ ব্যতিক্ৰম লক্ষ্য কৰা গৈছিল। এইবোৰেই বোধহয় পিটাৰে উনুকিয়াই দিয়া শুক্ৰাণুৰ মাজত সন্নিবিষ্ট কৃত্ৰিম 'জীন'ৰ দ্বাৰা প্ৰভাবিত অতি মানবীয়—চুপাৰ হিউমেন কেৰেক্টাৰ—আছিল। কিন্তু আচৰিত এনেবোৰ শাৰিৰীক উৎকৰ্ষতাৰ তুলনাত জ্যাকসনৰ মানসিক অনুভূতি সমূহৰ বিকাশ, খুউব ক্ষীন, অপৈণত আৰু অসামঞ্জস্য ভাবে হৈ গ'ল। কিশোৰ জ্যাক্‌সন মানসিক ভাবে নিত্যান্ত শিশুৰ দৰেই হৈ থাকিল। তাৰ পিচৰ দিনবোৰ পিটাৰৰ বাবে নিস্পলক পল দণ্ডৰ দৰে পাৰ হৈ গৈছিল। আত্ম বিস্মিত হৈ তেওঁ কেৱল গৱেষণাগাৰতে নিজকে আবদ্ধ কৰি ৰাখিছিল। দিনে নিশাই 'পাৰফমেৰ্ঞ্চ প্লেট'ৰ ওপৰত অসংখ্য জিনৰ কিলবিলনিক লক্ষ্য কৰি তেওঁ আত্মহাৰা হৈ পৰিল। আৰু পাহৰি গ'ল দৈহিক গঠনৰ বিশেষত্ত আৰু বৈশিষ্টই অতিমানবীক চৰিত্ৰৰ সম্পূৰ্ণ পৰিচয় নহয়। জ্যাক্‌সনৰ মাজত তেওঁ যিখিনি পাইছিল তাকে লৈ তেওঁ ব্যস্ত হৈ পৰিছিল অথচ যিখিনিৰ অভাৱ আছিল তাৰ বিষয়ে ভবাৰ অৱকাশ তেওঁ ভুলতেওঁ অনুভৱ কৰা নাছিল।

এনেদৰে এটা সুস্থ সবল দৈহিক অৱয়ৱৰ মাজত এটা সুন্দৰ বলিষ্ঠ মনৰ পৰিবৰ্ত্তে ডেকা জ্যাক্‌সন লাহে লাহে মানসিক ভাবে আক্ৰান্ত আৰু ব্যাধিগ্ৰস্ত হৈ পৰিল। আৰু এদিনৰ এটা আকস্মিক দুৰ্ঘটনাই সকলো ওলট্ পালট্ কৰি পেলালে। এটা বিশেষ পৰ্য্যবেক্ষণত একান্ত মনে নিমগ্ন হৈ থকা অৱস্থাত, মনৰ ক্ষমতা হেৰুৱাই, অতিমানৱ জ্যাক্‌সনে, সম্পূৰ্ণ উন্মাদৰ দৰে, পাশৱীক ভাবে পিটাৰক আক্ৰমণ কৰিলে। বৃদ্ধ, নিশকটীয়া পিটাৰ অজ্ঞান হৈ পৰিল আৰু জ্যাক্‌সন মানসিক ভাবে বাধাগ্ৰস্ত বুলি ঘোষিত হ'ল।

৭০ বছৰীয়া পিটাৰ লুইৰ প্ৰথম বাৰৰ বাবে চকুৰ পতা মুকলি হ'ল। কিন্তু ইতিমধ্যে তেওঁৰ যথেষ্ট পলম হৈ গৈছিল, কাৰণ যিখন বুলেটিনে পশিচ বছৰৰ পূৰ্বে এক অবিশ্বাস্যকৰ জীৱন জন্ম ৰহস্যৰে জগত বাসীক বিস্ময়াপ্লুত কৰিছিল সেই একে খন নাচিংহোমৰ বুলেটিনত ঘোষিত হ'ল তাৰ মানসীক বিপৰ্য্যয়ৰ শোকাবহ ঘটনা।

এদিনাখন জ্যাক্‌সন মেডিকো নাৰ্চিংহোমৰ ক্ৰেনিওলেজিকেল ওৱাৰ্ড'ৰ ২৫ নম্বৰ কোঠাৰ প্ৰবেশ দ্বাৰ মুক্ত হৈ গ'ল আৰু ৰুগ্ন জ্যাক্‌সনক নৰীয়া পাটিত শুৱাই দিয়া হ'ল। চিকিৎসা চলোৱা হ'ল বিশিষ্ট মনস্তাত্ত্বিক ডাঃ ক্ৰকৰ তত্বাৱধানত।

পিটাৰৰ মনৰ অৱস্থা কেনেকুৱা আছিল তাক জুকিয়াই চোৱা দুঃসাধ্য হৈ পৰিছিল। মানুহজন যেন প্ৰয়োজনতকৈ অধিক, উদাসীন, নিৰ্লিপ্ত, আৰু ভাড়াক্ৰান্ত হৈ পৰিল। এটা বোবা কাৰুণ্যই গোটেই মানুহজনক যেন ক্ৰমে গিলি পেলালে।

প্ৰথম কিছু দিন তেওঁ জ্যাক্‌সনৰ ওচৰত বহিয়েই কটাইছিল। ৰোগীক পথ্য খুৱাইছিল। প্ৰতিটো ঘণ্টাৰ মূৰে মূৰে 'ক্ৰেনিয়েল হিট'ৰ পৰিমাপণ লৈছিল আৰু জ্যাক্‌সনৰ কিছুমান অনাহুত অযুক্তিকৰ প্ৰশ্নৰ সমিধান দিবলৈ গৈ মৰ্মাহত হৈ বাহিৰ ওলাই আহিছিল। তেওঁ পিচৰ দিনবোৰত অধিক দুৰ্ব্বল আৰু নিঃসহায় যেন অনুমান হৈছিল আৰু কেতিয়াবাহে জ্যাক্‌সনৰ ওচৰ পাইছিল। মাজে মাজে তেওঁ ক্ৰকক দেখা কৰিছিল।

ক্ৰুকে কৈছিল যে মানসীক উৎকৰ্ষতাৰ কাৰণে আমি কোনো ধৰণৰ জীনক দায়ী কৰা উচিত নহয় কিয়নো মানুহৰ প্ৰবৃত্তি, চিন্তা শক্তি আৰু অনুভূতিৰ বিকাশ-ভূমি কেতিয়াও পৰীক্ষাগাৰ হব নোৱাৰে।

ক্ৰুকৰ এনেবোৰ মানস্তাত্বিক বিশ্লেষণ শুনাৰ ধৈৰ্য্য পিটাৰৰ লোপপাইছিল। ক্ৰুকৰ তেনেবোৰ যুক্তি বোধ-হয় পিটাৰে মানিলব পৰা নাছিল কিন্তু প্ৰতিবাদ কৰা শক্তি আৰু সামৰ্থ দুয়োটাকে তেওঁ হেৰুৱাইছিল। জ্যাক্সনৰ ওচৰলৈ যাবলৈ একেবাৰে বাদ দিছিল আৰু ক্ৰুকৰ সঙ্গও ত্যাগ কৰি নিজকে হিংস্ৰ পশুৰ দৰে পৰীক্ষাগাৰৰ ভিতৰতে আবদ্ধ কৰি পেলাইছিল।

ইয়াৰ পিচৰ ঘটনাবোৰ নিৰুত্তাপ, গতানুগতিক চলচিত্ৰৰ কাহিনীভাগৰ দৰে আগবাঢ়ি গৈছিল। দিন বোৰ পাৰ হৈছিল আগৰ দৰে আৰু এদিনাখন সম্পূৰ্ণ উন্মাদ হোৱাৰ পিচত জ্যাক্সনৰ মৃত্যু হৈছিল। পিটাৰৰ মন বোধহয় টুকুৰা টুকুৰ কৰি পেলালে এই ঘটনাই। এমাহ পিচত ৭০ বছৰীয়া বৃদ্ধ পিটাৰক তেওঁৰ বিজ্ঞানাগাৰত নিস্পাণ অবস্থাত উদ্ধাৰ কৰা হৈছিল। বৃদ্ধ পিটাৰে ৭০ বছৰৰ পিচত উপলব্ধি কৰা কিছুমান সত্যতাক স্বীকাৰ কৰি গৈছিল। তেওঁৰ সেই ক্ষুদ্ৰ অথচ প্ৰভূত মূল্যবান স্বীকাৰোক্তিখন পোৱা হৈছিল এটা বিষাক্ত এছিডৰ বাল্বৰ হেচাত। তেওঁ লিখিছিল—

—মই সমাজৰ ব্যাধি। মৃত্যুৰ আগমূহূৰ্ত্তত মই উপলব্ধি কৰিব পাৰিছো—প্ৰতিখন বিজ্ঞান সচেতন সমাজ অতি প্ৰাকৃতিক শক্তি সম্পন্ন সংগঠনেৰে গঠিত হলেও মানসিক দিশত পুতৌ লগা হয় যেতিয়া সি অনুভূতিৰ উৎকৰ্ষতাৰ পৰা বাধাগ্ৰস্ত হয়। মোৰ মনমৰ জ্যাক্-সনৰো সেয়েই হৈছিল। মই পৰীক্ষা চলাইছিলো সমাজক বৰ্জণ কৰি অথচ যাৰ ওপৰত এই সুদীৰ্ঘ পৰীক্ষা সি নিজেই এক সামাজিক প্ৰাণী—মোৰ ভুলও সেই খিনিতেই কাৰণ মই বুজিব পৰা নাছিলো, অনু-ভূতিহীন ব্যক্তি যিদৰে দুৰ্ভাগীয়া ব্যক্তিৰহীত সমষ্টি সমানেই নিৰৰ্থক।—মোৰ বহুত পলম হ'ল—মই আহিলোঁ।

শেষত পিটাৰেও আত্মহত্যাৰে নিজৰ পথ মুকলি কৰি ললে।

"মানুহক নতুন কথা শিকোৱাতকৈ তেওঁ এবাৰ শিকি পাহৰি যোৱা কথাবোৰ তেওঁক স্মৰণ কৰাই থকাটোহে যে বেচি প্ৰয়োজনীয়—সেই কথাটোৰ প্ৰতি কেতিয়াও যথোচিত গুৰুত্ব দিয়া নহয়।"

—ডঃ জনছন



আজি চাৰি বছৰ আগতে যিদৰে ভাবিছিল সেই ভবাৰ মাজত আৰু আজি তাই যিদৰে কথাবোৰ ভাবে তাৰ মাজত বহুত পাৰ্থক্য। আগতে জীৱনটোক যি-দৰে সজাই তুলিব বুলি ভাবিছিল আৰু এতিয়া কি বুলি ভাবে সেইটো তাইৰ বাবে সিমান গুৰুত্বপূৰ্ণ কথা নহয়, যিমান গুৰুত্বপূৰ্ণ এই মাজৰ চাৰিটা বছৰে দিয়া তাইৰ জীৱনোপলব্ধি। এখন অবক্ষয়িষ্ণু মধ্যবিত্ত পৰিয়ালৰ জীয়ৰী হিচাবে শিখাই জীৱনত কি পালে কি নাপালে সেইটো তাইৰ বাবে একো ডাঙৰ কথা নহয় কাৰণ পোৱা নোপোৱাৰ পুঞ্জীভূত খতিয়ানেই জীৱন যদিও তথাপি যেন জীৱনৰ স্বৰূপ উদঘাটনত আৰু কিবাকিবি থাকি গৈছে।

"সপোন দেখাৰো শেষ নাই, সপোন ভগাৰো শেষ নাই" বোধকৰো কোনোবা মধ্যবিত্ত কবিয়ে লেখিছে এই যে সপোন দেখাৰ বিলাসটো সিহঁতৰ একচেতিয়া সম্পত্তি নেকি বাৰু? আৰু সপোন ভগাৰ বিলাসটো? নাই সপোন ভগাৰ বিলাস সিহঁতৰ নাই, আছে যদি আক্ষেপহে আছে। তাইৰো বাৰু আক্ষেপ আছে নেকি? কিন্তু কাৰ ওপৰত?……………আক্ষেপ কৰিবলৈ তাই এৰি দিছে, বহুদিনৰ আগতে, কিমান দিন বাৰু—ঠিকেইটো চাৰিটা বছৰৰ আগতে দেউতাকৰ মৃত্যুৰ পাচৰ পৰা। এৰা তেতিয়াৰ পৰাই।

এটা ৰক্ষণশীল মধ্যবিত্ত পৰিয়ালৰ জীয়ৰীৰ ভাৱনাৰ দৌৰ সাধাৰণতে যিমান হয় তাইৰো সিমানেই আছিল। আজি অৱশ্যে তাই কিছু বেলেগকৈ ভাবে যদিও আজি আন্তৰ্জাতিক নাৰীবৰ্ষৰ বছৰতো তাইৰ দৰে পৰিয়ালৰ ছোৱালীবোৰে ঠিক সেইদৰেই ভাবে যিদৰে তাই চাৰি-বছৰ আগতে ভাবিছিল। তাৰ বাবে কোন দায়ী—পৰিবেশ—শিক্ষা—সমাজ—ব্যৱস্থা—নে নিজেই। হয়তো সকলোবোৰেই, হয়তো কথাবোৰ তাই আকৌ দকৈ ভাবিব লাগিব। বৰ সৰু ঘটনা এটা। দেউতাক মৰাৰ কিছুদিন আগতেই ঘটা এই সৰু ঘটনাটো যিটোৱে তাইক সচকিত কৰি তুলিছিল, তাই নিজৰ ভৱিষ্যতটোৰ কথা ভাবি ভয় খাইছিল—চিঞঁৰি উঠিছিল—চাৰিও ফালে আন্ধাৰ দেখিছিল। আন্ধাৰত অকণমান পোহৰ বিচাৰিছিল।—জীয়াই থকাৰ মোহে তাইক ভাৱাক্ৰান্ত কৰি তুলিছিল।

সকৰে পৰা বিলাসীতাকেই জীৱন বুলি ভাবি অহা শিখা, দেহটোৰ যতন লোৱাতেই দিনটো ব্যস্ত আছিল। সৌন্দৰ্য্যৰ কোনোবাখিনিত খুত হৈ যায় বুলি তাইৰ বৰ ভয়। বিলাসপূৰ্ণ অলসতা আৰু সীমিত জীৱন বোধে তাইক যেন শিকাইছিল—এজন সুদৰ্শন যুবকৰ সতে বিবাহ, এটা সুসজ্জিত অট্টালিকা, এখন ফিয়েট নাইবা

তেনে ধৰণৰ গাড়ী, হনিমুন, কাশ্মীৰ, চিমলা, কাঞ্চন-জংঘা, নাইনিতাল, এৰোপ্লেন, হোটেল তাজমহল, বিচ কন্টিনেণ্ট গ্ৰেণ্ড ইত্যাদি। তাইৰ দেহমন ৰোমাঞ্চিত হৈ উঠিছিল পুলকিত হৈ উঠিছিল।

চাৰিটা বছৰ আগতে শিখাৰ সপোনবোৰে পাহি মেলিবলৈ শিকিছিল। এজনী গতানুগতিক ভাবে ডাঙৰ হোৱা অভিজাত্যৰ বঙ্গীনতা শিনিবে আপ্লুত এখন মধ্য-বিত্ত পৰিয়ালৰ জীয়ৰীৰ সীমিত অভিজ্ঞতা খিনিৰে। অভিজাত্যৰ গেলাগপত জিপদিয়া তাইৰ মনৰ দিগন্তত একেবোৰ কথাই সদায় খেলাইছিল।

চুলি কোচা "স্প্ৰে" কৰি উঠি ৰ'লিং কৰি কৰি তাই সিদিনাও ভাবিছিল—তাইৰ ঘৰখন বাৰু কেনেকুৱা হ'ব? নিশা ক্লাবৰ পৰা আহিব। খোলো নোখোলোকৈ শাৰীখন খুলি দলিয়াই দিব। তাৰ পাচত বাথৰুমত আধাঘণ্টা বহি মেচেজ। তাৰ পৰা বেচমী নাইটীটো পিন্ধি ওলাই আহি ড্ৰেছিং গ্লাছৰ সন্মুখত বহি আধাঘণ্টা হেয়াৰ মেচেজ আৰু ব্ৰাচ কৰা। লেহুক স্পঞ্জ টুকুৰাৰে মুখত ক্ৰীমৰ মৃদু প্ৰলেপ। বিছনাখনত শুই তাইৰ এনেকুৱা লাগিব যেন বিছনাত শুৱা নাই এখন পাপৰিৰ শয্যাতহে শয়ন কৰিছে। তাইৰ সৌন্দৰ্য্যক অক্ষুন্ন ৰাখিবলৈ প্ৰয়োজন হ'ব অত্যন্ত পুষ্টিকৰ সু-স্বাদ খাদ্যৰ ···· স্বামী কাবাব, ক্ৰীম ৰল, পুডিং কাষ্টাৰ্ড ইত্যাদি।

"শিখা, অ' শিখা,"—"···কি হ'ল, কি হ'ল মা? মাকৰ মাতত তাইৰ সম্বিত ঘূৰি আহিল।—"ইমানকৈ মাতিব লাগেনে? ভিক্ষাৰী এজনী আহিছে অলপ চাউল দি দেগৈ যা।"—তাইৰ মাকৰ ওপৰত খং উঠি যায়। কি যে মাকজনী, সুন্দৰ সপোনটোত আউল লগাই দিলে। অনিচ্ছা স্বত্বেও তাই চাউল অলপ লৈ বাহিৰলৈ ওলাই গ'ল।

এজনী তাইৰ দৰে পূৰ্ণ যৌৱনা গাভৰু শূন্য দৃষ্টিৰে বৈ আছে। এটুকুৰা সামান্য মাত্ৰ ফটা কাপোৰেৰে তাইৰ যৌৱনক ঢাকি ৰাখিবলৈ বৃথা চেষ্টা কৰিছে। শিখাই চাউলখিনি আগবঢ়াই দি নিজৰ দেহটোলৈ এবাৰ চালে। জাপানী জৰ্জেটৰ শাৰীখনে তাইৰ দেহটো আবৰি ধৰিছে।

"বাইদেউ গা ধুই সলাবৰ কাৰণে এখন ফটা কাপোৰ দিবনে"? বৰ এটা কৰুণ চাৱনি গাভৰুজনীৰ জীৱনৰ সব বং হেৰাই যোৱাৰ সেই চাৱনি।

শিখাই এনে ভিক্ষাৰী গাভৰু বহুবাৰ বহুজনীক দেখিছে। একো ভবা নাই সিহঁতৰ বিষয়ে। সেইদিনা তাই হঠাতে ভাবি পেলালে—তাইও কিজানি এদিন তাইৰ দৰেই বহুত সপোনৰ ৰংঘৰৰ কল্পনা কৰিছিল আৰু শেষত তাই একেবাৰে নিংস্ব হৈ গ'ল। সময়ে বৰ বেয়াকৈ ধাৱাশাৱী কৰি গ'ল। চকু কেইটাত যেন এতিয়াও সপোন লুকাই আছে। হাৰি হাৰিও জীয়াই থকাৰ শেষ সপোন সেইয়া।

যন্ত্ৰৰ দৰে শিখাই ভিতৰৰ পৰা এখন শাৰী আনি তাইৰ হাতত গুজি দিলে। শিখা হতভম্ব হৈ ৰ'ল। এটা গাভৰু স্বপ্নৰ বিলৈ দেখি। সময়ে তাইকো যদি পৰাজিত কৰে····তেন্তে····শিখাই আৰু ভাবিব নোৱাৰে। মূৰটো ঘূৰাই যোৱা যেন লাগে।

সেইদিনা তাই ভালকৈ খাবও নোৱাৰিলে। বহু নিশালৈ উজাগৰে কটাই দিলে। বাৰে বাৰে ভিক্ষাৰী জনীৰ ছবিখনে তাইক আমনি দিবলৈ ধৰিলে। চকু মুদিও তাই শান্তি নোপোৱা হ'ল। ভিক্ষাৰী গাভৰু জনীৰ কথা ভাবি নহয় তাইৰ নিজৰ কথা ভাবিহে তাই উদ্বাউল হ'ল। স্বপ্ন ভঙ্গৰ বিভীষিকাই তাইক উত্ৰাৱল কৰি তুলিলে।

কিয় কিয় এনে হয়? আমাৰ সমাজত এইদৰে

জীৱনৰ নিৰাপত্তা কিয় হেৰাই যায়? সংস্থাপন কোনে কৰি দিব? কাৰ দায়িত্ব? নে এইখন সমাজ ব্যৱস্থা এনে হৈয়েই···? তেন্তে এখন নতুন সমাজ মানুহবোৰে নাপাতে কিয়? এই গাভৰুবোৰৰ স্বপ্ন ভঙ্গ কৰাৰ অধিকাৰ মানুহবোৰক কোনে দিলে? তাইও যদি কেতিয়াবা হাৰি যায় তেন্তে······নাই নাই তাৰ আগতেই কিবা এটা হ'ব। মানুহবোৰে কিবা এটা কৰিব। কিন্তু কোনে কৰিব—কেতিয়া কৰিব? তাই হাৰি যোৱাৰ পাচত যদি কৰে? অজিত মামাহঁতেই বাৰু কৰিব নেকি? হয়তু তেনেকুৱাই কিবাকিবি কথাবোৰ। —"সিহঁতো মানুহ, জীয়াই থকাৰ অধিকাৰ সিহঁতৰো আছে। সিহঁতৰো জীৱন আছে, এটি মন আছে, এখনি অন্তৰ আছে, প্ৰাপ্যখিনি লাভ কৰাৰ সিহঁতৰো অধিকাৰ আছে।" কাৰ—? "ভাৰতৰ নিপীড়িত লক্ষ লক্ষ দৰিদ্ৰ জনতাৰ।" লেকচাৰ মৰা যেন লাগিছিল অজিত মামাৰ কথাবোৰ। বৰ কথা কয় এই মানুহজনে। শুনিবলৈ মন নাযায় এই ফালটু কথাবোৰ। —অজিত মামাৰ কথাবোৰৰ অলপ গুৰুত্ব উপলব্ধি কৰিছে উজাগৰি নিশাৰ মুহূৰ্ত্তবোৰত শিখাৰ অনুসন্ধিৎসু মনে। —অজিত মামাৰ লেকচাৰ (?) "সিহঁতৰ আশাবোৰ, হাঁহিবোৰ, কান্দোন বোৰ চেপি ৰাখিছে কোনে, কোনে, কোনে?"

সদায় ভিক্ষা কৰিবলৈ অহা কুম ওলোৱা, বক্ষৰ ২৫ ডাল কামিহাড় লেখিব পৰা বুঢ়া মানুহটোৱে আন্ধাৰ কোঠাটোৰ দুৱাৰ মুখত ঠিয়হৈ, দিনত অহা গাভৰু ভিক্ষাৰীজনীয়ে কাষতে ঠিয়হৈ সেই একেই করুণ দৃষ্টিৰে তাইলৈ চাই আছে। —শিখাই অলপ ভয় খালে তথাপি সুধিলে "তোমালোকক এনে দশা কৰিলে কোনে?" —অজিত মামাৰ কথাবোৰক (লেকচাৰ) সিহঁতে কব ধৰিলে। আমাৰ আশা, আমাৰ হাঁহি, আমাৰ কান্দোন চেপি ৰাখিছে শ্ৰেণী বৈষম্যৰ এই সমাজ ব্যৱস্থাই আমাৰ ঘাম আৰু তেজত শোষণ, নিষ্পেষণ, অত্যাচাৰ ....শোষণ...নিষ্পেষণ....অত্যাচাৰ ধ্বনি প্ৰতিধ্বনিৰে তাইৰ কোঠাটো ভৰি পৰিল। তাই চকুদুটা মুদি দিলে ....।

কেইটামান মাহৰ পাচত তাইৰ দেউতাক মৰিল। লাহে লাহে সিহঁতৰ ঘৰখনলৈ নামি আহিল দীনতাৰ সৰ্পিল নৃত্য। তাই প্ৰস্তুত হবলৈ বাধ্য হ'ল এটা নতুন মনক আদৰি লবলৈ। তাই হাৰি যোৱাৰ আগতেই কিবা এটা কৰিবলৈ অজিত মামাক সোঁৱৰাই দিলে।

অজিত মামাৰ চাৰিটা বছৰৰ শিক্ষাই শিখাক এখন নতুন পৃথিবীৰ সৈতে পৰিচয় কৰাই দিলে। শিখাই মধ্যবিত্তৰ অভিজাত ঠেক গণ্ডীৰ পৰা যেন মুক্তি বিচাৰিলে। সিহঁতৰ উৰলি আহিব ধৰা পৰিয়ালটোৰ আৰ্থিক পৰিস্থিতিয়ে শিখাক ভাবিবলৈ বাধ্য কৰালে। তাই জীৱনত একো নাপালেও তাইৰ কোনো আক্ষেপ নাই। কিন্তু ভনীয়েক কেইজনীয়ে, ভায়েক কেইটাই, তাৰ পাচত সিহঁতৰ সতি-সন্ততি আৰু আগত অলেখ উত্তৰ পুৰুষ যদি বঞ্চিত হৈ যায়, সেই কুম ওলোৱা ভিক্ষাৰী বুঢ়াটো আৰু গাভৰু ভিক্ষাৰীজনীৰ দৰে তেন্তে তাই বৰ কষ্ট পাব।

অজিত মামাৰ নিস্বাৰ্থ স্বপ্নৰ সহযোগীতাত খুব আমেজ আছে। চাৰিটা বছৰৰ পাচত যেন নতুন জীৱনোপলব্ধিৰে শিখাৰ মনৰ আকাশ ভৰি পৰিছে। —কবৰখানাৰ লাইটৰ তলত-ষ্টেডিয়ামৰ গোপন এন্ধাৰত — দিখৌ নাইবা সোৱণশিৰিৰ পাৰত — মহানগৰীৰ আলিয়ে গলিয়ে-পাহাৰতলিৰ খেতি পথাৰত—লুইতৰ বালিচাপৰিত—বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত—আদালতৰ মুকলিচৰাত সেই কুম ওলোৱা বুঢ়া ভিক্ষাৰীটো আৰু গাভৰু ভিক্ষাৰীজনীয়ে একেটা প্ৰশ্নৰে উত্তৰ বিচাৰিছে —"আমাৰ আশা, আমাৰ হাঁহি, আমাৰ কান্দোন চেপি ৰখাৰ অধিকাৰ সিহঁতক কোনে দিলে? কোনে দিলে···।"

চাৰি বছৰ পাচত অজিত মামাৰ সতে শিখাইও প্ৰশ্ন কৰিছে "কোনে দিলে? কোনে দিলে? কিয় দিয়া হব"? —ইতিহাসৰ চকৰি ঘূৰিছে—চকৰিৰ চালিকা শক্তি সেই কুম ওলোৱা বুঢ়া ভিক্ষাৰীটো আৰু গাভৰু ভিক্ষাৰীজনী....লগত নিপিড়ীত শোষিত নিষ্পেষিতৰ দল।